# স্মৃতিগ্ৰন্থ




## সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিবৰ্ত্তন
## ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া

**শ্ৰী ফুকন বসুমতাৰী**
সভাপতি

**শ্ৰী ৰমণী ৰাজবংশী**
সম্পাদক

# স্মৃতিগ্ৰন্থ

## প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তন

ৰঙিয়া মহাবিদ্যালয়, ৰঙিয়া

## সদৌ অসম কলেজ কৰ্মচাৰী সন্থা

ইং ২৭, ২৮ জুন, ২০০৩

শ্ৰীফুকন বসুমতাৰী
সভাপতি

শ্ৰীৰমণী ৰাজবংশী
সম্পাদক

A Souvenir published on the occasion of the 1st Annual State Convention of the All Assam College Employees' Association held at Rangia College, Rangia, Kamrup on 27, 28 June, 2003 Edited by Sri Ramani Rajbongshi & published by Sri Jogendra Prasad Sarma, Secretary, Reception Committee, Printed at D.D. Offset printers, Rangia Public Bus Stand (Bhutan Road), Rangia, Ph. : 242417

## স্মৃতিগ্ৰন্থ উপ-সমিতি

**সভাপতি**

শ্ৰীফুকন বসুমতাৰী

**সম্পাদক**

শ্ৰীৰমণী ৰাজবংশী

**সদস্য**

শ্ৰীওছমান গনী
শ্ৰীপ্ৰফুল্ল কলিতা
শ্ৰীশৰৎ কলিতা

বেটুপাত পৰিকল্পনা ঃ
সম্পাদক, স্মৃতিগ্ৰন্থ

মুদ্ৰক ঃ ডি. ডি. অফ্‌চেট প্ৰিণ্টাৰ্চ,
ৰঙিয়া পাব্লিক বাছষ্টেণ্ড,
ভুটান ৰোড, ৰঙিয়া
ফোন নং ঃ ২৪২৪১৭

*Bhubaneswar Kalita*
Minister
***Industry, Commerce &***
***Public Enterprises***
Assam, Dispur
Guwahati-781006
Phone : 2261705 (O)
2267601 (R)
e-mail : beekay_ind@assam.nic.in



## শুভেচ্ছা বাণী

সদৌ অসম কলেজ কৰ্ম্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৰৰ্ত্তন অহা ইং ২৭ আৰু ২৮ জুন, ২০০৩ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা বুলি জানিব পাৰি সুখী হৈছো। ইয়াৰ লগতে ৰজিতা খুৰাই এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ যো-জা কৰা বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

উক্ত স্মৃতিগ্ৰন্থখনিৰ জৰিয়তে কৰ্ম্মচাৰী সন্থাৰ মাজত শান্তি সম্প্ৰীতি আনিব বুলি আশা ৰাখিলোঁ। শেষত বাৰ্ষিক অভিৰৰ্ত্তনৰ সকলো কাৰ্য্যসূচীৰ সফল ৰূপায়ন কামনা কৰাৰ লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ভুবনেশ্বৰ কলিতা)
মন্ত্ৰী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান, অসম

*Pankaj Bora*
Minister
***Education, Implementation of Assam Accord, Assam,***
Dispur, Guwahati-781006
Phone : 2262702 (O)
2260130 (R)



## শুভেচ্ছা বাণী


সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ১ম বাৰ্ষিক ৰাজ্যিক অভিৰৰ্ত্তনৰ সৈতে সঙ্গতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ হ'ব বুলি জানিব পাই নথৈ আনন্দিত হৈছোঁ। অভিৰৰ্ত্তনৰ সম্পূৰ্ণ সফলতা কামনা কৰাৰ লগতে আশা ৰাখিছোঁ, অভিৰৰ্ত্তন উপলক্ষে প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থ খনিও যেন তথ্যসমৃদ্ধ হৈ পঢ়ুৱৈ ৰাইজৰ সমাদৰ লাভ কৰিব পাৰে।

৫ জুন, ২০০৩

(পংকজ বৰা)

শিক্ষামন্ত্ৰী, অসম, দিচপুৰ।

## শ্ৰদ্ধাঞ্জলি



ৰঙিয়া মহাবিদ্যালয়ৰ নিষ্ঠাবান কৰ্মী ৰজনী বড়োই ইং ২০০২ চনৰ মাৰ্চ মাহৰ ৫ তাৰিখে নিশা কৰ্মৰত অৱস্থাতে কোনোবা অচিনাক্ত দুৰ্বৃত্তৰ হাতত প্ৰাণ দিব লগা হয়। কৰ্মবীৰ বড়োই নৈশ প্ৰহৰীৰ ঐকান্তিক ভূমিকা পালন কৰি যি মহান চানেকি দি থৈ গ'ল সি সমূহ কৰ্মনিষ্ঠ ব্যক্তিৰেই অনুকৰণীয় হৈ ৰ'ব। সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তনৰ ক্ষণত আমি তেখেতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

# অভ্যৰ্থনা সমিতিৰ সভাপতিৰ একাষাৰ

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তন উপলক্ষে ৰঙিয়া মহাবিদ্যালয়ত সমবেত হোৱা সন্মানীয় প্ৰতিনিধি সকললৈ আমি আমাৰ আন্তৰিক অভিনন্দন আৰু স্বাগত সম্ভাষণ জনাইছোঁ। নাৰায়ণপুৰৰ মাধৱদেৱ মহাবিদ্যালয়ত অনুষ্ঠিত সন্থাৰ ৪১ তম বাৰ্ষিক অধিবেশনত এই অনুষ্ঠানৰ প্ৰথম বাৰ্ষিক অভিবৰ্ত্তনখনি ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰা হয়। সেই মৰ্মে উক্ত অভিৱৰ্ত্তনখনি ২৭, ২৮ জুন, ২০০৩ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছে। সন্থাৰ পৰম শ্ৰদ্ধেয় নেতৃবৃন্দৰ কৃপাবশতঃ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা সুধী সকলক আদৰ অভ্যৰ্থনা কৰাৰ এক বিৰল সুযোগ লাভ কৰি আমি ৰঙিয়া মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ পৰম কৃতাৰ্থ হৈছোঁহক। এই সুবৰ্ণ সুযোগ প্ৰদান কৰা বাবে সন্থাৰ বিষয়ববীয়া আৰু সদস্যসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ৰাষ্ট্ৰনিৰ্মাণৰ এক মহান দায়িত্বত মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীসকল নিয়োজিত হৈ আছে। এটা উন্নত আৰু বিকশিত জাতি নিৰ্মাণৰ বাবে উন্নতমানৰ উচ্চশিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা সকলোৱে উপলব্ধি কৰিব পাৰে। আমাৰ ৰাজ্যৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখন আজি এক গভীৰ সংকটৰ সন্মুখীন হৈছে। শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা দুমুখীয়া নীতিয়ে ঘাইকৈ এই সংকটৰ বাবে দায়ী। চৰকাৰে এহাতে সৰ্বশিক্ষাৰ আঁচনি ধুম-ধামকৈ চলাইছে, আনহাতে ব্যয় সংকোচনৰ নামত উচ্চ শিক্ষাৰ সংকোচনৰ নীতি কাৰ্যতঃ গ্ৰহণ কৰিছে। এনেকুৱা পৰস্পৰ বিৰোধী নীতিৰ বাবে শিক্ষাৰ ক্ষেত্ৰত অনেক জটিল সমস্যাৰ সৃষ্টি হৈছে। তদুপৰি ৰাজ্যখনৰ উচ্চ শিক্ষাৰ সৈতে নিবিড়ভাৱে জৰিত থকা শিক্ষক-কৰ্মচাৰীসকলৰ দৰমহাৰ খেলি-মেলি, ছাত্ৰ-ছাত্ৰীসকলৰ মাচুল বৃদ্ধি আদি সমস্যাই চৰকাৰ আৰু বিভিন্ন সংগঠনৰ মাজত সংঘাটৰ সৃষ্টি কৰিছে। উচ্চ শিক্ষাৰ সম্প্ৰসাৰণ আৰু শিক্ষাৰ মানদণ্ড উন্নতৰকণৰ দিশত এই সমস্যাবোৰে হেঙাৰৰ সৃষ্টি কৰিছে।

অভিৱৰ্ত্তনত সমবেত হোৱা সন্মানীয় প্ৰতিনিধিসকলৰ গভীৰ চিন্তা-চৰ্চা আৰু সুচিন্তিত সিদ্ধান্তই আমাৰ ৰাজ্যখনত উদ্ভৱ হোৱা শিক্ষাৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত দিক্ নিৰ্ণায়ক ভূমিকা ল'ব বুলি আমি আন্তৰিকতাৰে কামনা কৰোঁ। আমাৰ ভবিষ্যত প্ৰজন্মৰ সৰ্বাঙ্গীন মঙ্গলৰ স্বাৰ্থতেই উচ্চ শিক্ষাৰ ক্ষেত্ৰখন সুস্থ আৰু নিকা হোৱা বাঞ্ছনীয়। শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, ৰাইজ আৰু চৰকাৰৰ উমৈহতীয়া আন্তৰিকতাপূৰ্ণ প্ৰচেষ্টাত সকলোবোৰ জটিল সমস্যা সমাধান হ'ব পাৰে। তেনেকুৱা এটি শুভক্ষণলৈ আমি আগ্ৰহেৰে বাট চাই আছোঁ।

অভিৱৰ্ত্তনৰ স্মৃতিখিনি যুগমীয়া কৰাৰ মানসেৰে অভ্যৰ্থনা সমিতিয়ে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। অভিৱৰ্ত্তনৰ সকলো কাৰ্য্যসূচীৰ লগতে স্মৃতিগ্ৰন্থখনিৰো সফলতা কামনা কৰি পৰমপিতা পৰমেশ্বৰৰ চৰণত কাতৰ প্ৰাৰ্থনা জনালোঁ। ইতি-

বিনীত
**শ্ৰীভবেন্দ্ৰ নাথ ডেকা**
অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়
ইং ২৮/৬/০৩ চন

# অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ দুষাৰ

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ স্থান প্ৰতিবছৰে সলনি হৈ থাকে। সেইদৰে যোৱা বেলি লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ মাধৱদেৱ কলেজত অনুষ্ঠিত হৈছিল। সেই অধিবেশনতে সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ কাৰ্য্যকাল দুবছৰ কৰে। প্ৰথম বছৰটোত অভিৱৰ্ত্তন আৰু দ্বিতীয় বছৰটোত অধিবেশন হিচাবে পতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। মাধৱদেৱ কলেজত অনুষ্ঠিত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪১ তম বাৰ্ষিক অধিবেশনতে ৰঙিয়া মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ আহ্বানক্ৰমে সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ১ ম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তনখনি ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ সুবিধাকণ দিয়া বাবে সন্থালৈ আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ। সন্থাৰ নতুনকৈ সূচনা কৰা প্ৰথম ৰাজ্যিক অভিৱৰ্ত্তন খনি আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ পাই আমি নিজকে ধন্য মানিছোঁ। কিন্তু আজি কালিৰ দিনত এনেকুৱা ব্যয়-বহুল সভা-সমিতি অনুষ্ঠিত কৰাটো দুৰূহ হৈ পৰিছে। সেয়েহে, আমি আমাৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, আমাৰ গোটৰ সদস্য সকল, নলবাৰী জিলা কলেজ কৰ্মচাৰী সন্থা, অবিভক্ত গোৱালপাৰা জিলা কলেজ কৰ্মচাৰী সন্থা, বৰপেটা জিলাৰ কলেজ সমূহ কামৰূপ জিলাৰ কলেজ সমূহ দৰং জিলাৰ কেইখনমান কলেজৰ উপৰিও কামৰূপ জিলা উদ্যোগিক নিগম আৰু অনেক সদাশয় শুভাকাংখী ব্যক্তি আৰু অনুষ্ঠানৰ পৰা আৰ্থিক সহায় বিচাৰিছোঁ। এই অভিৱৰ্ত্তন খনি সাফল্যমণ্ডিত কৰাত যি সকল মহানুভৱ ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে অকুণ্ঠচিত্তে আৰ্থিক সহায় আগবঢ়ালে, তেখেতসকললৈ আমাৰ অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা হিয়াভৰা কৃতজ্ঞতা জনাইছোঁ। তদুপৰি এই অভিৱৰ্ত্তনখনি যি সকল ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীয়ে শ্ৰমদান কৰি সাফল্যমণ্ডিত হোৱাত সহায় কৰিলে সেই সকল ব্যক্তিলৈ আমি অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা শলাগ যাচিছোঁ।

এই অভিৱৰ্ত্তনখনিৰ কাৰ্য্যসূচীসমূহ নিয়াৰিকৈ ৰূপায়িত কৰাত ত্ৰুটি-বিচ্যুতি সমূহৰ বাবে অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

প্ৰসঙ্গক্ৰমে, বিগত বছৰ কেইটিত আত্মোৎসৰ্গৰ মনোভাৱলৈ স্বদেশ আৰু স্বজাতিৰ হকে, দেশৰ সাহিত্য সংস্কৃতিৰ হকে যি সকল জ্ঞাত অজ্ঞাত বৰেণ্য ব্যক্তিয়ে অসমী আইৰ চৰণ ধুৱাই থৈ গ'ল সেই অমৰ শ্বহীদ ও ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধা নিবেদিছোঁ। তদুপৰি আমাৰ সন্থাৰ সদস্যসকলৰ মাজৰ পৰাও মৃত্যু বৰণ কৰা জ্ঞাত-অজ্ঞাত ব্যক্তিসকলৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

শেষত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

ভৱদীয়

শ্ৰীযোগেন্দ্ৰ প্ৰসাদ শৰ্মা

সাধাৰণ সম্পাদক, অভ্যৰ্থনা সমিতি



# সম্পাদকীয়

কৰ্মময় জীৱনত আদৰ্শৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। নিষ্ঠাবান কৰ্মীজনৰ জীৱনৰ দীঘ-বাণি ফঁহিয়াই চালেই তাৰ প্ৰমাণ পোৱা যায়। আদৰ্শক কৰ্মৰ লগত ৰজিতা খুৱাই জীৱনৰ প্ৰগতি সুনিশ্চিত কৰিব পাৰি। সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তনৰ কালছোৱাত আমি অসমৰ কলেজ কৰ্মচাৰী বৃন্দই এই ভাৱধাৰাক নিজ নিজ হৃদয়ত অংকুৰিত কৰিব পাৰিম— এয়ে আমাৰ আশা।

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তনত আমাৰ উদ্দেশ্য আৰু সিদ্ধান্ত কি ধৰণৰ হ'ব সি অতি লক্ষণীয় দিশ হ'ব। সঠিক সিদ্ধান্তইহে প্ৰগতিৰ চাবি-কাঠি। আমাৰ আশা কলেজ কৰ্মচাৰীবৃন্দই এই দিশত বাস্তৱ ভূমিকা ল'ব পাৰিব। এই সন্থাৰ জন্ম লগ্ন সুদিনতেই আছিল যদিও জন্মৰ পিছতেই নানান সমস্যাৰ মুখা-মুখি হ'ব লগা হৈছে আৰু হৈ আছে। আজিকোপতি কলেজ কৰ্মচাৰী সকলে U.G.C. হাৰত বেতন পাবলৈ সক্ষম নহ'ল। তদুপৰি অতি পৰিতাপৰ কথা যে অসমৰ আন আন চৰকাৰী কৰ্মচাৰী সকলে পোৱা সা-সুবিধা সমূহৰ দৰে আজিও কলেজ কৰ্মচাৰী সকল তেনে সা-সুবিধাৰ পৰা বঞ্চিত।

অৱসৰৰ পিছত তেওঁলোকে কৰ্মনিষ্ঠাৰ আদৰ্শক নিজহাতে মোহাৰি পেলাব লগা হৈছে। দুখ আৰু হতাশত জীৱন নিৰ্বাহ কৰিব লগা হৈছে। ইয়াতকৈ আৰু কিবা পৰিতাপৰ বিষয় থাকিব পাৰেনে ?

আহক আমি আটায়ে ঐক্যবদ্ধ হৈ সঠিক পথেৰে আগবাঢ়ো। অধ্যক্ষ, শিক্ষক, গ্ৰন্থাগাৰিক কৰ্মচাৰী সন্থা আৰু অসমৰ বৌদ্ধিক জগতৰ লগত জড়িত সমূহ সদাশয় ব্যক্তিয়েই এক হৈ চৰকাৰৰ উচ্চ শিক্ষা সংকোচন নীতিৰ বিৰুদ্ধে প্ৰতিবাদ জনাওঁ। শিক্ষা তথা উচ্চ শিক্ষাৰ প্ৰতি প্ৰদৰ্শন কৰা দমন নীতিক উলংঘা কৰি তাৰ ঠাইত "সৰ্বজন হিতায়" শিক্ষা নীতিৰ দাবী জনাওঁ।

প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৱৰ্ত্তনৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ যি হাবিয়াস তাক বাস্তবায়িত কৰিবলৈ যি যি উপকৰণ লাগে সেই সমূহ আলফুলে তুলি অনা হৈছে অসমৰ শিক্ষা প্ৰেমী লেখক-লেখিকা সকলৰ পৰা। তেখেতসকলৰ চিন্তা আৰু বৌদ্ধিক প্ৰগাঢ়তাৰ ৰেঙণি ইয়াত প্ৰতিফলিত হৈছে। সেই ৰেঙণিক হৃদয়ত বিৰাজ হ'বলৈ দিলে স্মৃতিগ্ৰন্থখনিৰ প্ৰকাশৰ সাৰ্থকতা থাকিব। যি সকল সদাশয় লেখক-লেখিকাই চিন্তা গধূৰ প্ৰবন্ধ, কবিতা আদি দি সম্পাদনা সমিতিক সহায় কৰিলে আৰু স্মৃতিগ্ৰন্থখনি সমৃদ্ধ কৰিলে তেখেত সকললৈ আমি কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শ্ৰদ্ধাৰে-

জয়তু কলেজ কৰ্মচাৰী সন্থা

# সূচীপত্ৰ


| | | |
|---|---|---|
| THE CONCEPT OF HIGHER EDUCATION AND THE ROLE OF RANGIA COLLEGE IN ITS GROWTH | Bhabendra Nath Deka | 1 |
| সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ অতীত আৰু বৰ্তমান | গুণধৰ গগৈ | 5 |
| শৈক্ষিক পৰিবেশ ৰচনাত কলেজ কৰ্মচাৰীৰ যোগাত্মক ভূমিকা | ভূপেন্দ্ৰ নাথ শৰ্মা | 9 |
| উচ্চ শিক্ষাৰ সংকোচন ঃ এক পৰ্য্যালোচনা | প্ৰদীপ ঠাকুৰীয়া | 13 |
| সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ দাবীসমূহৰ কাৰ্য্যকৰীকৰণ আৰু ভৱিষ্যত কাৰ্য্যপন্থা সম্পৰ্কে | সুৰেন্দ্ৰ নাথ শইকীয়া | 18 |
| কেৰিয়াৰ প্লেনিং | অপূৰ্ব্ব কুমাৰ গোস্বামী | 21 |
| WHAT CADET GETS IN NATIONAL CADET CORPS | Debraj Sarma | 27 |
| আমাৰ উচুপনি | ওছমান গনী | 30 |
| ভক্তি ৰস | জ্যোতিষ চন্দ্ৰ ডাউকা | 31 |
| অনুৰ্বৰা | কিৰণ কলিতা ঠাকুৰীয়া | 31 |
| প্ৰাচীৰ | শৰৎ চন্দ্ৰ দাস | 32 |
| পৰিবেশ, স্বাস্থ্য আৰু সতৰ্কতা | ডঃ হিতেশ বৰ্মন | 33 |
| গ্ৰন্থাগাৰ আৰু ইয়াৰ বিদ্যায়তনিক ভূমিকা | বীৰেন্দ্ৰ নাথ শৰ্মা | 37 |
| Global Climate Change | SARANGA PANI SAIKIA | 39 |




# THE CONCEPT OF HIGHER EDUCATION AND THE ROLE OF RANGIA COLLEGE IN ITS GROWTH

❑ Bhabendra Nath Deka
Principal, Rangia College

Education is the light of life. It is the means of transformation for a better and higher quality of life through the process of empowerment and enlightenment. In this sense, education may be regarded as a life-long process of empowerment and enlightenment of human mind. Without the proper and quality education the advancement of a man, a society or a nation is unthinkable. The development of a society or a nation is dependent on the quality of its education. Education is of utmost importance for moulding and shaping the resources of a nation including its human resources. Without proper, adequate, higher and value-based education, the most of the priceless resources of a nation may remain unutilised and even may be wasted making the prospect of growth and development a far-fetched dream.

The hopes and aspirations for a better and developed life are natural human tendencies. Mere hopes and aspirations for a better life are not enough for the transformation of life. It must be accompanied with relentless efforts to achieve the desired goal. And herein lies the importance of education. The development of the citizens is the pre-condition of the development of a nation. If the citizens are developed, the nation is bound to develop. It has rightly been said that the destiny of a nation is built inside the class-room. It is needless to overemphasise the important role of formal, systematic and institutional education in the development of human mind and capability. It is only through institutional and formal education that the quality, competence and creativity of an individual can be evaluated and measured.

Education and training enriches human mind, sharpens intelligence and creativity and helps man in acquiring skills. Such educated minds can contribute immensely to the society in striving for attainment of a better and higher quality of life. There are two aspects of the better and higher quality of life - one is temporal aspect and the other is spiritual aspect. The temporal aspect reflects the better profession and livelihood and high standard of living with all the basic amenities of modern civilization. The spiritual aspect reflects the high thinking and lofty spiritual aptitudes based on the ideals of universal love, amity and brotherhood. The attainment of these ideals may be regarded as the fruits of knowledge and education.

With these high ideals in mind, the elite public of Raniga started the process of establishing a college at Rangia way back in mid-fifties of the last century. But the idea could not be materialised for a long time because of various reasons. However, the efforts continued under the able stewardship of late Siddhi Nath Sarma, the illustrious son and legendary political figure of Assam. The long-cherished dream of the public of Rangia finally came true on Angust 5, 1963, when Rangia College was given a ceremonial and rousing start amidst the chanting of Vedic hymns and blowing of conch-shells in presence of a large and enthusiastic gathering. Since its inception, the college has been rendering yeoman's service in the field of higher education in the vast and extensive area inhabited predominantly by the socially and economically backward segments of the population.

The college was established with the following goals and objectives :

: To give educational facilities to the young generation particularly belonging to the socially and economically backward communities of the entire North Kamrup area.

: To impart education in Arts, Science and Commerce faculties to the students with the purpose of making them capable and resourceful citizens.

: To impart education in vocational subjects.

: To introduce new subjects and courses including self-financing courses to keep pace with the changing situations.

: To provide exclusive facilities to the students for their physical, intellectual and cultural development.

: To create a healthy academic atmosphere in the locality.

: To produce quality students equipped with moral, spiritual and aesthetic values to face the challenges of life.

: To create a pragmatic approach in the minds of the students on the socio-economic realities of life.

: To take such other academic programmes as may be deemed necessary from time to time.

With these goals and objectives in view, the college was opened at the outset as an Arts College with only six departments, viz. English. Assamese, Economics, History, Political Science and Arabic. However, in the opening year of the college both the Pre-University and B.A. 1st year classes were simultaneously introduced and 114 students were admitted in P.U. class and 40 students were admitted in the 1st year B.A. class. Temporary arrangement was made to hold the classes in Rangia High School and Haradatta Biradatta Bhavan premises. Permission by the concerned authority was given to use the local Congress Bhavan as the temporary office of Rangia College. The college authority received the Temporary Affiliation from the Gauhati University on October 10, 1963 to open the Pre-University class and Temporary Affiliation for Degree classes





was received from the Gauhati University with effect from the session 1967-68. Meanwhile, because of the untiring efforts of late Siddhi Nath Sarma, the then Revenue Minister of Assam and the President of the first Governing Body of Rangia College and Late Durga Dutta Agarwalla one of the architects of the college who was the Secretary of the G.B., the college got the allotment of 75 bighas of land in Bangaon V.G.R. Moreover, the college received a Govt. grant of Rs. 40,000.00, 200 bundles of G.C. I. sheets at Govt. control rate and a lot of timbers free of cost for the construction of the permanent buildings of the college. The receipt of these grants were possible primarily because of the help and co-operation of Late Makibar Rahman, who was the Secretary, Education, Assam at that time and who was an illustrious son of Rangia.

On the auspicious morning of January 26, 1965, Late Siddhi Nath Sarma laid the foundation stone of the permanent college building at the alloted land of the college at Bangaon in presence of thousands of the enthusiastic public. The occasion was graced by the kind presence of Late Tirtha Nath Sarma, the then Principal of Pragjyotish college who inspired the public with an excellent speech surcharged with emotion and deep insight. The construction works were carried out with the government grants and the donations received from the generous donors of Rangia. Late Sukhdev Singh was the founder Principal of Rangia College who left his job after serving the college for a brief period. The college authority appointed Sri Birendra Nath Bardoloi, the son of Bharat Ratna Lokapriya Gopinath Bardoloi, who joined as the Principal of the college on 17.1.64 and rendered his invaluable services in the growth and development of the institution for long seventeen years. The college was shifted to its own buildings at Bangaon in the last part of 1966 and since then the college is growing from strength to strength.

As a result of the relentless efforts of the members of the G.B., the teachers and the social leaders of Rangia and also of the heartfelt sympathy and good-will of the then-Chief Minister Late Bimala Prasad Chaliha and Education Minister Late Joy Bhadra Hagzer, Rangia College was brought under deficit system of G.I.A. with effect from 1st September, 1969 vide Govt. Letter No. G (A) RC. 22/68/186 dated 15/10/69 with the following subjects (departments) and teachers mentioned against each subject.

| | Subjucts- | No. of teachers |
|---|---|---|
| 1. | English | 3 |
| 2. | Assamese | 4 |
| 3. | History | 2 |
| 4. | Economics | 2 |
| 5. | Political Science | 2 |
| 6. | Education | 1 |
| 7. | Arabic | 2 |
| 8. | Bengali | 1 |

Subsequently, the Science stream was introduced in the college in 1985 and the stream was brought under deficit system of Grants-in-Aid by the Govt. of Assam with effect form July 14, 1992 vide Govt. Letter No. PC/HE/Col.5/92/25 dated 16.3.93. The Commerce stream also had been introduced in the College in 1996 and the necessary permission had already been obtained from the Gauhati University. The Govt. Concurrence for opening the stream had been accorded vide Govt. Letter No. B (2) H.229/2000/40 dated 26.6.2000 and as such all the requisite conditions have already been fulfilled for bringing the Commerce stream under deficit system of G.I.A. and necessary proposals to this effect have been submitted to the Govt. of Assam.

Rangia College, which was initially opened with six departments and brought under deficit system of G.I.A. with eight departments, is at present a full-fledged degree college having twenty one departments in Arts, Science and Commerce faculties. Moreover, the vocational subject Sericulture has been introduced for the benefit of the boys and girls of the rural areas. The self-financing Computer Course has also been introduced from the current academic session. A number of 70 qualified and dedicated teachers are imparting instruction on various subjects and the number of office and library staff who are rendering their services stands at 37. In each session, at least 8/9 part-time teachers of different departments are engaged to impart education and training to the students.

Rangia College has produced 4233 graduates upto the academic session 2001-2002 of whom 3982 belong to Arts stream, 232 belong to Science stream and 19 belong to Commerce stream. Most of the alumni of the College have obtained different vocations in life and established themselves as responsible citizens of the country of whom mention may be made of Sri Upen Baro who obtained I.F.S. and served as an ambassador of the Govt. of India in different foreign countries.

Rangia College has grown to the stature of being the premier institution of higher education in the entire North Kamrup area and since its inception it has been playing the pioneering role in the educational sphere and made tremendous contribution to the socio-academic upliftment of the locality. □□





# সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ অতীত আৰু বৰ্ত্তমান

□ **গুণধৰ গগৈ**, উপদেষ্টা,
সদৌ অসম কলেজ কৰ্মচাৰী সন্থা

ইং ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ কিছু আগে পিছে অসমৰ বৰ্তমানৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয় সমূহৰ প্ৰতিষ্ঠাৰ কাম আৰম্ভ হয়। পোনতে এই কলেজ সমূহ সম্পূৰ্ণৰূপে বেচৰকাৰী আছিল আৰু ইয়াত কাম কৰা সকলো কৰ্মচাৰীৰে (অধ্যক্ষ, অধ্যাপক সকলোকে ধৰি) দৰমহাৰ কোনো নিৰ্দ্দিষ্ট নিৰিখ নাছিল। ৫০ ৰ দশকৰ মাজভাগত তদানীন্তন চৰকাৰে কলেজৰ অধ্যাপক সকলৰ এটি দৰমহাৰ নিৰিখ বান্ধি দিয়ে। সিয়েই পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত হৈ ৭০ ৰ দশকলৈ চলি আছিল। ৭০ ৰ দশকতহে অধ্যাপক সকলৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰু ৬০ ৰ দশকৰ শেষভাগত অনা-শিক্ষক কৰ্মচাৰী সকলৰ বাবে এটি ৰাজ্যিক পৰ্য্যায়ৰ দৰমহাৰ নিৰিখ প্ৰয়োজিত হয়।

৬০ ৰ দশকলৈকে সুদীৰ্ঘ প্ৰায় ডেৰ দশক জুৰি, স্বাধীনতাৰ পিছত, কলেজ কৰ্মচাৰী (অনা-শিক্ষক) সকলৰ কোনো নিজা সংগঠন নাছিল। সেই সময়ত অসমৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ সমূহত একমাত্ৰ সংগঠন আছিল অসম কলেজ শিক্ষক সংস্থা। কিন্তু এই সংস্থাই পোনতে অধ্যক্ষ-অধ্যাপক আৰু পিছৰ কালত কেৱল অধ্যাপক সকলৰ কথাহে চিন্তা কৰাত কলেজৰ অনা শিক্ষক কৰ্মচাৰী সকলে এটি নিজাববীয়া সংগঠনৰ কথা ভাবিবলৈ বাধ্য হয়। তাৰ পৰিণতি স্বৰূপে যাঠিৰ দশকৰ প্ৰথম ভাগত সদৌ অসম কলেজ কৰ্মচাৰী সন্থা (এ,এ,চি,ই,এ) ৰ জন্ম হয়। পোনতে কেইজনমান বাটকটীয়া, ভবিষ্যৎ দ্ৰষ্টা, প্ৰাতঃ স্মৰণীয় কলেজ কৰ্মচাৰীৰ ঐকান্তিক প্ৰচেষ্টা, অক্লান্ত পৰিশ্ৰম আৰু স্বাৰ্থত্যাগৰ ফলত এই সন্থাৰ জন্ম হয়। সেই প্ৰাতঃ স্মৰণীয় ব্যক্তি সকললৈ আজি সন্থাৰ অভিনৱ ১ ম সাংগঠনিক অভিবৰ্ত্তনৰ প্ৰাক মূহুৰ্ত্তত আমি বিশেষ ভাৱে মনত পেলাইছো আৰু আমাৰ কৃতজ্ঞতা ভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। তেখেত সকলৰ স্মৃতি কলেজ কৰ্মচাৰী সন্থাৰ ইতিহাসত অমৰ হওঁক।

দৰমহাৰ কথাৰেই যদিও প্ৰবন্ধৰ আৰম্ভণি হ'ল, পঢ়ুৱৈ সকলে এই কথা ভাবি লোৱা উচিত নহয় যে আমাৰ সন্থাৰ কেৱল অৰ্থনৈতিক দাবী সমূহৰ ভিত্তিতেই জন্ম হৈছে তথা কেৱল দৰমহা, বোনাছ, প্ৰমোচন ইত্যাদিয়েই আমাৰ একমাত্ৰ লক্ষ্য প্ৰকৃততে সন্থাৰ প্ৰথম সংবিধানখনিতেই আমাৰ প্ৰতিষ্ঠাতা পিতৃ সকলে অৰ্থনৈতিক দাবী সমূহতকৈ অন্য এটি মহৎ উদ্দেশ্যৰ ওপৰতহে অধিক গুৰুত্ব দিছিল। সি হ'ল সন্থাৰ সদস্য সকলৰ বৌদ্ধিক আৰু মানসিক নিষ্ঠা আৰু সন্থাৰ সমূহ সদস্যৰ মাজত ভ্ৰাতৃত্ববোধ জগাই তোলা আত্মোন্নতিৰ জৰীয়তে অসমৰ উচ্চ শিক্ষা জগতত নিজৰ যথোপযুক্ত স্থান আৰু ভূমিকা নিৰ্ণয় কৰা। সন্থাৰ সদস্য সকলৰ মনৰ পৰা নিচাত্মিকাভাব দূৰ কৰি আত্মসন্মানবোধ জগাই তোলা আৰু উচ্চশিক্ষাৰ জগতত তেওঁলোকক যথোপযুক্ত স্থান অধিকাৰ কৰিবৰ বাবে উপযুক্তকৈ গঢ়ি তোলাৰ মনোভাব আমাৰ সংবিধানত অন্তঃ সলিলাভাবে বৈ আছে।

প্ৰথম অৱস্থাত বাটকটীয়া সকলৰ আশাশুধীয়া প্ৰচেষ্টাক কোনোমতেই তুচ্চ জ্ঞান নকৰিও এই কথা কোৱা বাস্তৱসন্মত হ'ব যে- ৭০ ৰ দশকৰ শেষ ভাগলৈকে সন্থা সাংগঠনিক আৰু আদৰ্শগতভাবে তেনেই দুৰ্বল আছিল। ৭০ দশকৰ শেষভাগ আৰু ৮০ ৰ দশকৰ আৰম্ভণিৰ পৰা তৰুণ তেজৰ আগমন আৰু বৰ্তমানৰ সাধাৰণভাবে পৰিপক্ক নেতৃত্ব সেই সময়ত সংগঠনৰ আগভাগলৈ আগমন সন্থাক ক্ৰমান্বয়ে অগ্ৰগতিৰ ফালে লৈ যাবলৈ ধৰে। বিগত প্ৰায় ২০ বছৰ ধৰি প্ৰবীন আৰু নবীনৰ সমাহাৰত গঠিত সাধাৰণ ভাবে স্থিৰ এক নেতৃত্বৰ (যি বৰ্ত্তমান অৱস্থাত নেতৃত্বত অধিষ্ঠিত) বিকাশৰ, ফলত বৰ্তমান সন্থাৰ সংগঠনে এক প্ৰায় পৰিপূৰ্ণ আৰু পৰিপক্ক অৱস্থা লাভ কৰিছে।

বিগত ৪১ তম্ নাৰায়নপুৰ অধিবেশন সন্থাৰ ইতিহাসত এক মাইলৰ খুটি হিচাপে চিহ্নিত হৈ থাকিব। উক্ত অধিবেশনতেই সন্থাৰ সংবিধান সংশোধন কৰি এখনি নতুন সংবিধান গ্ৰহণ কৰা হয়। এই সংবিধান আধুনিক, পৰিপুষ্ট আৰু যুগোপযোগী কৰি তুলিবলৈ চেষ্টা কৰা হৈছে যাতে আধুনিক যুগৰ লগত খাপখুৱাই সন্থাক গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ আৰু ৰাজনৈতিক দল নিৰপেক্ষ পথেৰে আগুৱাই লৈ যাব পৰা যায়। এই সংবিধানৰ জৰিয়তেই সন্থাৰ কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল দুবছৰীয়া কৰা হয় আৰু পোন প্ৰথমবাৰৰ বাবে দুই অধিবেশনৰ মধ্যবৰ্তীকালত সাংগঠনিক অভিৱৰ্ত্তন অনুষ্ঠিত কৰাৰ ধাৰা সন্নিবিষ্ট কৰা হয়।

অতীতলৈ উভতি চালে দেখা যায় যে ৭০ ৰ দশকৰ প্ৰাকমূহূৰ্ত্তলৈকে কলেজ- কৰ্মচাৰীসলকৰ তথা আমাৰ সন্থাৰ একোৱেই নাছিল। সংগঠন আছিল অতি দুৰ্বল আৰু কলেজ কৰ্মচাৰী সকলৰ বেতন আৰু অন্যান্য সা-সুবিধা তেনেই সীমিত। সন্থাৰ ঐতিহাসিক প্ৰচেষ্টাৰ ফলতেই কলেজ কৰ্মচাৰী সকলৰ বাবে এটি ৰাজ্যিক পৰ্য্যায়ৰ বেতনৰ নিৰিখ হয়। পৰলোকগত শ্ৰদ্ধেয় দেবীদাস ঠাকুৰদেবৰ ৰাজ্যপালৰ কাৰ্য্যকালত ৰাষ্ট্ৰপতি শাসন বলবৎ থকা অবস্থাত তেখেতৰ সহৃদয়তাৰ ফলত সন্থাই কলেজ কৰ্মচাৰী সকলৰ বাবে চৰকাৰী কৰ্মচাৰীৰ সমহাৰত যথেষ্টখিনি সুবিধা প্ৰদানৰ নিৰ্দ্দেশো আদায় কৰিবলৈ সক্ষম হয়। যাৰ ফলত আজি কলেজ কৰ্মচাৰী সকলে চৰকাৰী কৰ্মচাৰীৰ সমাহাৰত বহুখিনি সা-সুবিধা ভোগ কৰি থাকিব পাৰিছে।

অতীতৰ দৈন্য দশকৰ তুলনাত আজি আমাৰ যথেষ্টখিনি আছে, আমাৰ সংগঠনো আজি কোনেও উলাই কৰিব পৰা বিধৰ নহয়। কিন্তু তথাপিও উচ্চ শিক্ষাৰ বিশ্বব্ৰহ্মাণ্ড খনৰ কলেজীয়া শিক্ষাৰ জগতত এই পৰ্য্যায়ৰ অন্যান্য অংশীদাৰ সকলৰ তুলনাত আমাৰ অৱস্থান ক'ত ? কলেজত অধ্যক্ষ, শিক্ষক সকলে বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নিৰ্ধাৰিত নিৰিখত বিপুল পৰিমাণৰ বেতন উপভোগ কৰিছে। একেই শিক্ষানুষ্ঠানৰ অংশ হিচাবে তেওঁলোকৰ তুলনাত আমাৰ দৰমহাৰ অনুপাত কি ? এই দৰমহা আধুনিক জগতত উন্নত মানৰ হিচাবে মানদণ্ড বজায় ৰাখি জীৱনধাৰণৰ বাবে যথেষ্ঠতো নহয়েই- পৰিয়ালক ন্যূনতম প্ৰয়োজনীয় খিনি যোগান ধৰি কোনোমতে জীয়াই থাকিবলৈ যথেষ্ঠ নহয়। চৰকাৰে, বিশ্ববিদ্যায়ত অনুদান আয়োগে আমাক মানুহ বুলি নাভাবে, উচ্চ শিক্ষাৰ জগতখনত আমাৰ ভূমিকাটিও যে অত্যন্ত গুৰুত্বপূৰ্ণ (প্ৰকৃততে অপৰিহাৰ্য) তাক তেওঁলোকে স্বীকৃতি নিদিয়ে। আমাৰ জ্যেষ্ঠ ভ্ৰাতৃ সদৃশ অধ্যক্ষ-অধ্যাপক সকলৰ তথা তেওঁলোকৰ নামজ্বলা সংগঠন সমূহৰো আমাৰ ফালে এবাৰ





উভতি চাবলৈ সময় নাই। আশ্চৰ্য্যৰ বিষয় যে এই সংগঠন সমূহে কলেজ কৰ্মচাৰী সকলৰ বাবেও ইউ, জি, চি নিৰিখৰ দৰমহা প্ৰবৰ্ত্তন তথা কলেজ কৰ্মচাৰী সকলৰ স্বাৰ্থ সম্পৰ্কীয় সামান্য এটি বিষয়তো আজিলৈকে এটি মাত মতাৰো নজিৰ নাই। সেয়েহে আজি আমি সৰ্বভাৰতীয় কলেজ আৰু বিশ্ববিদ্যালয় কৰ্মী ফেডাৰেচনৰ অন্তৰ্ভুক্ত হৈছোঁ আৰু অন্যান্য দিশৰ লগতে ইউ, জি, চি, নিৰিখৰ বেতনৰ বাবে তথা কলেজ-বিশ্ব বিদ্যালয়ৰ অনা শিক্ষক কৰ্মচাৰী সকলৰ জীৱনধাৰণৰ মানদণ্ড উন্নীত কৰাৰ বাবে চলি থকা সৰ্বভাৰতীয় সংগ্ৰামৰ লগত চামিল হৈছো।

ওপৰোক্ত আলোচনাৰ অৰ্থ এইটো নহয় যে আমি উক্ত শ্ৰেণীৰ আমাৰ সহকৰ্মী সকলৰ প্ৰতি তথা তেওঁলোকৰ সংগঠনসমূহৰ প্ৰতি কোনো বৈৰীভাব পোষন কৰোঁ। কিন্তু ই ৰূঢ় বাস্তব যে কলেজ কৰ্মচাৰী সকলৰ প্ৰতি সমাজৰ বিভিন্ন পৰ্য্যায়ৰ বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ অন্যান্য অংশীদাৰ সকলৰ মনোভাব (mind set) আজিও মুঠেই সলনি হোৱা নাই। অথচ আমাক অবজ্ঞা কৰা স্বত্বেও আমি আজি ৰাজ্যিক ভিত্তিত একটা, অধ্যক্ষ পৰিষদ, পুথিভঁৰাল সন্থা আৰু গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সন্থা আৰু আমাৰ সন্থাক লৈ যি সমন্বয়ৰক্ষী সমিতি গঠিত হৈছে তাত অকপটে যোগদান কৰিছোঁ আৰু উক্ত সমন্বয় সমিতিয়ে যাতে স্থায়ীৰূপ পায় আৰু সমিতিৰ ঐক্য যাতে মজবুত হয় তাৰ বাবে আন্তৰিক প্ৰচেষ্টা চলাই আছোঁ ; এক্টাৰ উদ্যোগত তথা সমন্বয় সমিতিৰ বুজাবুজিৰ ভিত্তিত বৰ্তমান বছৰ আৰু যোৱা বছৰ অনুষ্ঠিত আন্দোলনত পৰিপূৰ্ণ ভাবে অংশ গ্ৰহণ কৰিছোঁ আৰু ভৱিষ্যতলৈও অসমৰ কলেজ শিক্ষক কৰ্মচাৰী সকলৰ তথা উচ্চ শিক্ষাৰ জগতখনৰ মঙ্গলৰ স্বাৰ্থত সমন্বয় সমিতিক অধিক শক্তিশালী কৰাৰ বাবে আমি কাম কৰি যাম। কিন্তু আমি চৰকাৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু বিশেষকৈ উচ্চ শিক্ষাৰ জগতখনৰ আমাৰ জ্যেষ্ঠ সহকৰ্মী সকলৰ পৰাও যথোপযুক্ত মৰ্য্যাদা আশা কৰোঁ।

আমাৰ সংগঠন অতীততকৈ বহুগুণে উন্নত হৈছে সেই সম্পৰ্কে কোনো সন্দহ নাই। কিন্তু অভীপ্সিত লক্ষ্যৰ পৰা আমি এতিয়াও বহু যোজন বাট দূৰত। আমাৰ সংগঠনৰ দুৰ্বলতাৰ বাবেই আমি চৰকাৰৰ ওচৰত আজিও আমাৰ দাবী জোৰদাৰ ভাবে উপস্থাপন কৰিব পৰা নাই তথা চৰকাৰৰ তৰফৰ পৰা যথোপযুক্ত সঁহাৰি লাভ কৰিব পৰা নাই। বৰং চৰকাৰে আমাক এক্টা বা অন্যান্য সংগঠনৰ তুলনাত একেবাৰেই হেয় জ্ঞান কৰি আছে। যাৰ ফলত আজি আমি অনুনয় বিনয় তথা ভকতিৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হৈছোঁ। প্ৰবন্ধৰ পৰিসৰৰ দিশলৈ চকুৰাখি আমাৰ সংগঠনৰ দুৰ্বলতাৰ বিস্তৃত বিশ্লেষনৰ পৰা মই ইয়াত ক্ষান্ত থাকিলোঁ। কিন্তু দুটামান বিষয় উল্লেখ নকৰিলে এই প্ৰৱন্ধৰ উদ্দেশ্যই ব্যৰ্থ হ'ব। প্ৰথম কথা, সন্থাৰ আজিলৈকে এটা ৰাজ্যিক পৰ্য্যায়ৰ স্থায়ী কাৰ্য্যকাল আমি নিৰ্মাণ কৰিব নোৱাৰিলোঁ। নাৰায়নপুৰ অধিবেশনৰ পিছত আমাৰ ইউনিট সমূহে জিলা সমষ্টি সমূহে নিয়মিতভাবে কামকাজ কৰিছেনে ? সদস্য সকল পূৰ্বতকৈ তৎপৰ হৈ যথা সময়ত সন্থাৰ বৰঙণি সমূহ আদায় দিছেনে ? ৰাজ্যিক কাৰ্য্যনিবাহকৰ সমাজত উন্নতি ঘটিছেনে ? এই বিলাক অতি স্বাভাৱিক আৰু অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰশ্ন। এই প্ৰশ্নসমূহৰ উপযুক্ত সমাধান কৰিব নোৱাৰিলে চৰকাৰ, ইউ-জি-চি অন্যান্য সংগঠন কাৰো পৰাই আমি সমীহ আদায় কৰিব নোৱাৰিম। সংগঠন সবল আৰু সংগ্ৰামী কৰি গঢ়ি তুলিব নোৱাৰিলে আমাৰ দাবীসমূহ কোনোদিনহে আমি পৰিপূৰ্ণভাবে আদায়

কৰিব নোৱাৰোঁ। আমাৰ আগন্তুক সাংগঠনিক অভিৱৰ্ত্তনত এই দিশবোৰ চালি জাৰি চাই জৰুৰী কালীনভাবে যদি সন্থাক শক্তিশালী কৰি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰোঁ তেন্তে আমি হতাশাত ভুগিব লাগিব আৰু সংগঠন যি কণ গঢ়ি উঠিছে সিওঁ মৰহি যাব। আমাক এনে এক সবল সংগ্ৰামী সংগঠন লাগে যি নিজৰ জোৰত কোনো কাকুতি মিনতি নকৰাকৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা আমাৰ দাবী সমূহ আন্দোলনৰ জৰীয়তে আদায় কৰি ল'ব পাৰোঁ। এই অভাজনে সেই লক্ষতেই সন্থাৰ লগত নিজকে বিলীন কৰি দিছে আৰু তেনে এক দিনলৈ আশা আৰু আগ্ৰহেৰে আমাৰ কলেজ কৰ্মচাৰী সকলে আমাৰ আশাক অনতিপলমে ফলৱতী কৰিবই।

শেষত স্মৰণিকাৰ আয়োজক সকলৰ অনুৰোধ ক্ৰমে সন্থাৰ ভবিষ্যত সম্পৰ্কে দু-আষাৰ লিখিবই লাগিব। কিন্তু তাকে লিখিবলৈ গৈ মই চৰম দুৰ্ভাবনা গ্ৰস্ত হৈ পৰিছোঁ। আমাৰ বঞ্চনাৰ ইতিহাস সুদীৰ্ঘ, কৰুণ। স্বাধীনতাৰ ৫০ বছৰৰ অধিক কাল পিছতো আমাৰ এই গণতান্ত্ৰিক দেশত নিজৰ প্ৰতিনিধিজন নিৰ্বাচিত কৰি দিয়াৰ গণতান্ত্ৰিক অধিকাৰৰ পৰা আমি বঞ্চিত। কলেজৰ পৰিচালনা সমিতিত বহু প্ৰচেষ্টাৰ মুৰত যেনিবা কলেজ কৰ্মচাৰীৰ এজন প্ৰতিনিধি সন্নিবিষ্ট হ'ল। কিন্তু তাকো আমি নিজে বাছি দিব নোৱাৰোঁ- অধ্যক্ষইহে মনোনীত কৰে। পেঞ্চন কমিটিত অধ্যক্ষ পৰিষদ তথা কলেজ শিক্ষকৰ দুজনকৈ প্ৰতিনিধি কিন্তু আমাৰ পক্ষৰ পৰা মাত্ৰ এজন। কোনো শিক্ষাসদী সমিতিয়ে, কোনো কৰ্তৃপক্ষই কলেজ কৰ্মচাৰীৰ কোনো প্ৰতিনিধি অন্তৰ্ভুক্ত কৰা নাই। ৰাজ্যিক পৰ্য্যায়ত মূল্যায়ণ আৰু মূল্যাংকণ পৰিষদত কৰ্মচাৰীৰ তৰফৰ পৰাও এজন প্ৰতিনিধ অন্তৰ্ভুক্ত কৰিব লাগে বুলি 'নেক' (NAAC) ৰ বাবে আয়োজিত অধ্যক্ষৰ কৰ্মশালাত এই অভাজনে প্ৰস্তাব দিওতে বহুতো অধ্যক্ষই তাৰ বিৰুদ্ধে গিৰ্‌গিৰাই উঠিছিল। এয়ে হ'ল আমাৰ প্ৰতি বিভিন্ন পক্ষৰ মানোভাব আৰু বঞ্চনাৰ স্বাক্ষৰ। কলেজ কৰ্মচাৰী সকল এনেয়ে আধামৰা হৈ আছে তাৰ ওপৰতে এতিয়া ৰামটাঙোন মাৰিবৰ বাবে ভূতৰ ওপৰত দানহৰ দৰে উপস্থিত হৈছেহি 'নেক' (NAAC) আমাৰ কলেজ সমূহ, অন্ততঃ গৰিষ্ঠ সংখ্যক কলেজ থাকিবনে ? কলেজ যদি নাথাকেই কৰ্মচাৰী সকল থাকিবনে ? আৰু কৰ্মচাৰী সকল নাথাকিলে কলেজ কৰ্মচাৰী সন্থা থাকিবনে ? আমাৰ সমূখত ঘোৰ সংকট সমূপস্থিত। ৫৬ খন কলেজৰ মৃত্যু ঘন্টাতো বাজিছেই। গতিকে কলেজ কৰ্মচাৰী সকল তথা আমাৰ সন্থাৰ ভৱিষ্যত কলীয়া ডাৱৰে ঢকা অমানিশাৰ ঘোৰ অন্ধকাৰ। কিন্তু হতাশ হ'লে বাঁচিব নোৱাৰিম। জীয়াই থকাৰ বাবে সংগ্ৰামৰ অবিহনে অন্য উপায় নাই। সংগঠনক সবল কৰি সংগ্ৰামৰ বাবে সাজু হ'বৰ হ'ল। অন্যান্য সংগঠনৰ লগত ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিব লাগিব। বিশেষকৈ শিক্ষাজগতখনৰ বাহিৰৰ অধিক বহল অৰ্থনীতিৰ যুদ্ধক্ষেত্ৰখনত ব্যক্তিগতকৰণ, উদাৰীকৰণ, বিশ্বায়নৰ বিৰুদ্ধে যি মৰণপণ সংগ্ৰাম চলিছে আমাৰ দৃষ্টিভঙ্গী বহলাই লৈ উক্ত সংগ্ৰামৰ লগত আমাৰ সংগ্ৰামক সংযুক্ত কৰিব লাগিব। সংকীৰ্ণ মনোভাব তথা শিক্ষা জগতখনৰ তুলনামূলক সংকীৰ্ণ পৰিসৰৰ সংগ্ৰামে ব্যক্তিগতকৰণ, উদাৰীকৰণ, বিশ্বায়নৰ পুঁজিবাদী অজগৰক অকলে বধিক নোৱাৰে। গতিকে বহল ভিত্তিত ঐক্যবদ্ধ সংগ্ৰামেহে আমাৰ জীয়াই থকাৰ তথা ভৱিষ্যতক উজ্জ্বল কৰাৰ একমাত্ৰ পথ। ◻◻





# শৈক্ষিক পৰিবেশ ৰচনাত কলেজ কৰ্ম্মচাৰীৰ যোগাত্মক ভূমিকা

◻ শ্ৰীভূপেন্দ্ৰ নাথ শৰ্ম্মা
মূৰব্বী অধ্যাপক, দৰ্শন বিভাগ
ৰঙিয়া মহাবিদ্যালয়

মহাবিদ্যালয়ৰ শৈক্ষিক বাতাৱৰন আৰু বিদ্যায়তনিক পৰিবেশ তৈয়াৰ কৰাত শিক্ষক ছাত্ৰৰ লগতে কৰ্মচাৰী সকলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। দৰাচলতে ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ সমন্বিত প্ৰচেষ্টাইহে মহাবিদ্যালয় সমূহৰ পৰিবেশ সুস্থ কৰাত সহায় কৰে। মহাবিদ্যালয় সমূহৰ পাঠদান কাৰ্য্যত সক্ৰিয়ভাৱে শিক্ষক সকল সংযোজিত হৈ থাকিলেও প্ৰত্যক্ষ বা পৰোক্ষভাৱে মহাবিদ্যালয় চলমান কৰি ৰখাত কৰ্মচাৰী সকলো সমানে জড়িত হৈ আত্মনিয়োগ কৰি থাকে। মুঠতে শিক্ষক, কৰ্মচাৰী, ছাত্ৰ আটাইবোৰে মহাবিদ্যালয় পৰিয়ালৰ সদস্য। এই সদস্য সমূহে বিভাজিত কৰ্ম সমূহ সম্পাদন কৰাটো পবিত্ৰ কৰ্ত্তব্য। মহাবিদ্যালয় সমূহ বৰ্ত্তি থাকিলেহে আমিবোৰ বৰ্ত্তি থাকিম আৰু আমাৰ অস্তিত্ব পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। অধ্যক্ষ, শিক্ষক, কৰ্মচাৰী, ছাত্ৰ আৰু চৰকাৰ আৰু মহাবিদ্যালয পৰিচালনা সমিতি সমন্বিতে আটায়ে মিলি মহাবিদ্যালয়ৰ অৱস্থা উন্নীত কৰণত, শৈক্ষিক পৰিবেশ অটুট ৰখাত সহায়কহোৱাটো বাঞ্চনীয়।

মহাবিদ্যালয় এখন পৰিচালনাত কৰ্ম্মচাৰী সকলে লোৱা বলিষ্ঠ পদক্ষেপে মহাবিদ্যালয়খন আগুৱাই নিব পাৰে। শিক্ষক কৰ্মচাৰী তথা ছাত্ৰ -ছাত্ৰীৰ মিলাপ্ৰীতি, শ্ৰম, পাৰস্পৰিক সহানুভূতি আদিয়েহে মহাবিদ্যালয়ক জাকত -জিলিকা ৰূপত অৱতীৰ্ণ কৰাব পাৰে। অন্যান্য কিছুমান ৰাজহুৱা অনুস্থান প্ৰতিস্থানত চলা দূৰ্নীতি, অন্যায়, অনাচাৰ আদি মহাবিদ্যালয়ত প্ৰৱেশ কৰিব নোৱাৰে। মহাবিদ্যালয়ৰ কৰ্মচাৰী সকল সততাৰ প্ৰতীক। কম সংস্কৃতি সম্পন্ন এই কৰ্মচাৰী সকলে সাৰ্থক চাকৰিৰ জীৱন যাপন কৰে আৰু ভবিষ্যতে তেওঁলোক সফল হবই। এইবোৰ কাৰণতে ছাত্ৰ শিক্ষকৰ লগত কৰ্মচাৰী সকলৰ আত্মীয়তা ভালদৰে গঢ়ি উঠে যিটোৰ প্ৰভাৱ যোগাত্মক হয় মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশত। মহাবিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ পৰা আৰম্ভ কৰি কেৰাণী, হিচাপ ৰক্ষক, অধীক্ষকলৈকে বহু কৰ্মচাৰী থাকে যিবোৰৰ ঐকান্তিক প্ৰচেষ্টাত আৰু সেৱাত নিৰ্ভৰ কৰে মহাবিদ্যালয়ৰ অস্তিত্ব আৰু শ্ৰীবৃদ্ধি। কৰ্মপটু, আগ্ৰহী অমায়িক কৰ্মচাৰীসকলে সহজতে সহায়ৰ হাত আগবঢ়াব পাৰে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। পাৰস্পৰিক সু- ব্যৱহাৰৰ আদান প্ৰদানে সুস্থ বাতাবৰণ সৃষ্টি কৰে। এনেকুৱা যোগাত্মক দৃষ্টিভঙ্গীয়ে শৈক্ষিক পৰিবেশ গৌৰৱোজ্জ্বল কৰে।

Admission লোৱা, monthly tution fees collection, হিচাব ৰখা, পুথি-ভঁৰাল ব্যৱহাৰ আৰু পৰীক্ষা সমূহ পৰিচালনাত কৰ্মচাৰী সকল জড়িত হৈ থাকি ছাত্ৰ-ছাত্ৰী সমূহক Guide দি থাকে। ছাত্ৰ -একতা সভাৰ লগতো তেওঁলোকৰ সম্পৰ্ক নিবিড় হৈ উঠে। পাৰস্পৰিক ব্যৱহাৰ, দিহা-পৰামৰ্শ আদান-প্ৰদান, মত বিনিময়ে কৰ্মচাৰী ছাত্ৰ-ছাত্ৰীৰ ওচৰ চপাই আনে আৰু সকলো মূল্যনিষ্ঠ হৈ পৰে আৰু শৈক্ষিক পৰিবেশ উন্নত হোৱাত সহায়কৰ ভূমিকা লয়।

গাৱলীয়া অঞ্চলত অৱস্থিত মহাবিদ্যালয়সমূহত ভাতৃত্ববোধৰ চানেকীৰে, সহায় কৰাৰ মনোভাৱেৰে নীতি নিষ্ঠভাৱে সেৱা আগবঢ়াই মহাবিদ্যালয়সমূহৰ বিদ্যায়তনিক পৰিবেশ অটুট ৰাখিবলৈ কৰ্ম চাৰীসকলে অতীতৰ পৰাই অহোপুৰুষাৰ্থ কৰি আহিছে। মহাবিদ্যালয়লসমূহ ৰাইজৰ অনুষ্ঠান আৰু ইয়াৰ জন্মবেদনা ৰাইজে অনুভৱ কৰে সহৃদয়তাৰে। ইয়াৰ ক্ৰমবৰ্দ্ধমান গতিত সাৰ পানী দি উজ্জীবিত কৰি ৰখাৰ দায়িত্ব ছাত্ৰ শিক্ষক তথা কৰ্মচাৰীৰ ওপৰত। উল্লেখযোগ্য যে প্ৰশংসনীয়ভাৱে আৱহমান কালৰ পৰাই শিক্ষকে যেনেকৈ "সেৱাৰ ব্ৰত" লৈ শিক্ষাদান কৰি আছে ঠিক তেনেকৈ একে সেৱাৰ মনোভাৱেৰে মহাবিদ্যালয়ৰ কৰ্মচাৰী সকলেও নিষ্ঠা সহকাৰে ইপ্সিত কৰ্ম কাণ্ড কৰি আছে।

সমাজ আৰু জাতি সত্বা অস্তিত্বশীল জাগ্ৰত হৈ থাকিবলৈ হ'লে 'কৰ্ম -সংস্কৃতি' গঢ়ি তুলিব লাগিব। কৰ্ম সংস্কৃতি অবিহনে বহু বিনবুৰা সৃষ্টি হোৱাতো সচাঁ। আনহাতে অনেক কৰ্মচাৰীয়ে কৰ্ম এৰি দি অলস ভাৱে সময় কটায়। সেয়ে কৰ্ম সংস্কৃতিৰ অভাৱ ঘটিছে বুলি উত্থাপিত অভিযোগ ভিত্তিহীন নহয়। দৰাচলতে আমি পৰিবৰ্তিত কঠিন আৰ্থিক পৰিস্থিতি লক্ষ্য কৰি সতৰ্ক হ'বৰ হ'ল। শিক্ষক কৰ্মচাৰী সকলো এতিয়া সচেষ্ট হ'বৰ হ'ল। কিয়নো কোনো অজুহাত নেদেখুৱাই কৰ্ম শক্তি বঢ়োৱা উচিত। বৰ্ত্তমান সৰ্বত্ৰ প্ৰতিযোগিতামূলক অৱস্থাত কৰ্ম-দৰ্শনৰ দৃষ্টি ভঙ্গী সলনি কৰি প্ৰয়োজন ভিত্তিক গঢ় দি সাম্প্ৰতিক সমস্যাৰ মোকাবিলা কৰিবলৈ তৎপৰ হোৱা উচিত বুলি মই ভাবো। লাহে লাহে আহি থকা অস্তিত্বৰ সংকটৰ পৰা মহাবিদ্যালয়সমূহক ৰক্ষা কৰিবলৈ কায় মনোবাক্যে চেষ্টা কৰা নিতান্তই কৰ্ত্তব্য প্ৰতিজন শিক্ষক কৰ্মচাৰীৰেই। বৰ্তমান শিক্ষক, কৰ্মচাৰী সকলৰ মনোবল ভাঙি যোৱাৰ উপক্ৰম হৈছে আৰু কৰ্ত্তব্য সচেতন হৈয়ো সম্পূৰ্ণ মনোনিবেশ কৰিব পৰা নাই। ইয়াৰ বহুতো কাৰণ আছে। সেইবোৰ মোৰ বোধেৰে হ'ল-(ক) প্ৰাপ্য সা-সুবিধাৰ পৰা বঞ্চিত (খ) দা-দৰমহা অনাদায় (গ) অন্যান্য ৰাজ্যিক আৰু কেন্দ্ৰীয় কৰ্মচাৰীৰ সৈতে ৰখা পাৰ্থক্য (ঘ) প্ৰয়োজনীয় কৰ্মচাৰীৰ নিয়োগৰ অনিশ্চিত কৰণ (ঙ) চাকৰি বিধিৰ অভাৱ আৰু অনিশ্চিত ভৱিষ্যত (চ) পেন্‌চন আঁচনি আজিলৈকে স্বীকৃত নোহোৱা (ছ) কোনো ধৰণৰ Incentives ৰ অভাৱ।

উপৰোক্ত সমস্যাসমূহৰ দ্বাৰা জৰ্জৰিত হৈয়ো উত্তৰণৰ পথ খেপিয়াই শিক্ষক কৰ্মচাৰী সকলে কৰ্ত্তব্য পৰায়ণতা, সদিচ্ছাৰে স্বপ্নবোৰ বুকুত বান্ধি অধীৰ আগ্ৰহেৰে উজ্জ্বল ভবিষ্যতৰ কামনা কৰিছে।

কৰ্মচাৰী সকলে স্বকীয় চৰিত্ৰ বজাই ৰাখি সৰ্বতো প্ৰকাৰে নিজৰ নিজৰ মহাবিদ্যালয়সমূহক মহীৰূহ ৰূপত অৱতীৰ্ণ কৰোৱাৰ গধূৰ দায়িত্ব বহন কৰিব লাগিব। শিক্ষানুস্থান হ'ল এক সমবায়। ইয়াৰ অংশীদাৰ ছাত্ৰ-শিক্ষক,





কৰ্মচাৰী সুসংগঠিত হোৱাটো আৱশ্যকীয়। চৰকাৰৰ শিক্ষা সংকোচন, শিক্ষা ব্যক্তিগতকৰন আদি যিবোৰ শিক্ষা বিৰোধী নীতিৰ প্ৰত্যাহবান স্বৰূপে বৰ্তমান যি প্ৰতিবাদৰ যোৱাৰ উঠিছে সি শুভ লক্ষন। 'অসম কলেজ শিক্ষক সন্থা,' 'সদৌ অসম কলেজ কৰ্মচাৰী সন্থা,' 'গ্ৰন্থাগাৰিক সংস্থা' 'কলেজ অধ্যক্ষ পৰিষদ" আদি এক গোট হৈ "উমৈহতীয়া মঞ্চ" তৈয়াৰ কৰাত আটাইয়ে পৰস্পৰক বুজাৰ আৰু নিজৰ নিজৰ যুক্তিসংগত দাবীবোৰৰ শ্ৰদ্ধা জনাই একক দৃষ্টি ভঙ্গীৰে আগবাঢ়ি উমৈহতীয়া স্বাৰ্থ-পূৰণৰ বাবে চৰকাৰক টানি অনুৰোধ জনাইছে। এনে অৰ্থযুক্ত একত্ৰিত শক্তিয়েহে ৰাইজক শিক্ষা জগতৰ সমস্যাৰ সম্যক ধাৰণা জনাব পাৰিব আৰু চৰকাৰেও পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰিব আৰু সমস্যাসমূহৰ সমাধানত ইতিবাচক সহাঁৰি জনাব বুলিয়েই বিশ্বাস।

এইটো সচাঁ যে শিক্ষক কৰ্মচাৰীৰ সমস্যা হুবহু একে নহয়। তথাপি মৌলিক সমস্যাসমূহ একে। এৰা ধৰাৰ মনোভাৱেৰে সমিল মিলেৰে আমি দাবীবোৰ আমাৰ ৰাইজৰ চৰকাৰৰ ওচৰত পেচ কৰিবই লাগিব। আমি জানো যে দৰমহা কৰ্ত্তন ব্যৱস্থা, শিক্ষা সংকোচন নীতি, নিজাববীয়াকৈ কলেজ সমূহে সম্পদ আহৰণৰ পৰামৰ্শ আদি সৰ্বনাশী ব্যৱস্থাবোৰৰ প্ৰভাৱ পাইকাৰী। এইবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা উচিত বা ইতিমধ্যে প্ৰতিবাদ কৰা হৈছে উমৈহতীয়া মঞ্চৰ মাধ্যমেদিয়েই। কোনোপধ্যে আমাৰ অস্তিত্ব যাতে বিপন্ন নহয় তাৰ বাবে জাগ্ৰত প্ৰহৰী হৈ থাকিব লাগিবই। "মাউখে উটিলে গুৰিপৰুৱাৰ মৰণ নাই"- এই প্ৰবচন ফাঁকি মনত ৰাখি শিক্ষক কৰ্মচাৰী সকল আগবঢ়া উচিত বুলি ভাবো যিটো কৰিলে আমিবোৰ আৰু মহাবিদ্যালয়সমূহ অস্তিত্বশীল হৈ থাকিব। উচ্চশিক্ষা -ব্যৱস্থাক যাতে মাহী আইৰ দৃষ্টিৰে নাচায় তাৰ বাবে চৰকাৰী পক্ষলৈ জয়দেউ কাকুতি কৰিবলৈ নাপাহৰিলোঁ।

শিক্ষক কৰ্মচাৰী সকল দূৰদৃষ্টি সম্পন্ন, কৰ্মপটু আৰু Informative হোৱাটো বাঞ্ছনীয় অন্যথাই তেওঁলোক সঙ্গীন হৈ ৰব। সময়ে সময়ে কৰ্মচাৰী সকলোৰো বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা উচিত যিটো চৰকাৰী বা অনা চৰকাৰী উভয় ক্ষেত্ৰতে অনুষ্ঠিত কৰাটো যুক্তি সংগত। তেতিয়াহে পৰিবৰ্তিত পৰিস্থিতিত নিজা খাপ খুৱাই Readymen হৈ থাকিব পাৰিব। নহলে Adaptation প্ৰক্ৰিয়াত সংযোজিত হ'ব নোৱাৰিব। NAAC ৰ বিভিন্ন কৰ্মত paper working আদি গুৰুত্বপূৰ্ণ বিষয় সমূহত দক্ষভাৱে সাৰ্থক ৰূপত কামবোৰ সজাই তুলিবলৈ মানসিক সজাগতাৰ প্ৰয়োজন যিবোৰ অসাধ্য নহয়। অসমৰ ১৯০খন ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ত কৰ্মৰত প্ৰায় ৩০০০ জন মান কৰ্মচাৰী কাৰ্য্য -নিৰ্বাহ কৰি আছে। তেওঁলোকৰ আৰ্থিক অৱস্থা বেছি ভাগৰে পানীত হাঁহ নচৰা বিধৰ। আজিলৈকে তেওঁলোকৰো সামগ্ৰিক অৱস্থাৰ উন্নতি নহ'ল। চাকৰি বিধি, পেনচন আদিৰ ব্যৱস্থা ধোৱা চাঙত উঠিল। আনহাতে নিজৰ চাকৰিসমূহৰ অৱস্থা কঠিনৰ পৰা কঠিনতম পৰ্যায় পাইছেগৈ। মোৰ বোধেৰে এনেকুৱা অনিশ্চিত অন্ধকাৰৰ পৰা উত্তৰণৰ পথ হ'ল-

(ক) নিজকে সংগঠিত আৰু দক্ষ কৰি তোলা।

(খ) গণতান্ত্ৰিক আন্দোলনৰ মাধ্যমেদি নায্য দাবীসমূহ আদায় কৰা।

(গ) উমৈহতীয়া মঞ্চত সক্ৰিয় ভূমিকা লৈ একত্ৰিত সংগ্ৰাম অব্যাহত ৰখা।

(ঘ) অধিকাৰ সাব্যস্তকৰণৰ বাবে আনুসংগিক কৰ্ত্তব্য সম্পাদন কৰা।

(ঙ) কৰ্ম সংস্কৃতি সুদৃঢ় কৰা।

(চ) ঘৰুৱাভাবে সীমিত ৰূপত হ'লেও কৃষি অথবা কুটীৰ শিল্পৰ জৰিয়তে জনমূৰি আয় (per capita income) বঢ়োৱা আঁচনিৰ ব্যৱস্থা ।

(ছ) সমাজ সেৱাত সহায়ৰ হাত আগবঢ়োৱা।

(জ) মিতব্যয়ী হোৱা।

(ঝ) মানবীয় প্ৰমূল্যবোধ ৰক্ষাৰ প্ৰচেষ্টা হাতত লোৱা ইত্যাদি।

শিক্ষক কৰ্মচাৰী তথা ছাত্ৰ- সমাজে এটা Team Spirit লৈ আগবাঢ়িলেহে জটিল সমস্যাসমূহ সমাধানত সহায়ক হ'ব।

মহাবিদ্যালয়ৰ বিদ্যায়তনিক পৰিবেশত যোগাত্মক প্ৰভাৱ পেলাবলৈ কৰ্মচাৰী সকলে খেলা-ধূলা, গান-বাজনা, সভা-সমিতি আদিত সক্ৰিয় অংশ গ্ৰহণ কৰা উচিত। গ্ৰন্থাগাৰিক (Librarian) মহোদয় সকলে বিভিন্ন কৌশলেৰে পাঠক সৃষ্টি কৰি শিক্ষকৰ লগতে কৰ্মচাৰী সকলকো সাঙুৰি লৈ পঢ়াৰ পৰিবেশ সৃষ্টি কৰা উচিত বুলি ভাবো। প্ৰত্যেক ক্ষেত্ৰতে পবিত্ৰ অনুষ্ঠানটোৰ পবিত্ৰতা ফুটি উঠাকৈ কৰ্ম কৰি যাব লাগে। যি মহাবিদ্যালয়ৰ সামগ্ৰিক Beautification ত সহায়ক হ'ব। ◻◻





# উচ্চ শিক্ষাৰ সংকোচন ঃ এক পৰ্য্যালোচনা

◻ প্ৰদীপ ঠাকুৰীয়া
সাংগঠনিক সম্পাদক, (গুৱাহাটী বিশ্ববিদ্যালয়)
অসম কলেজ শিক্ষক সংস্থা

বিশ্ব বেংক হ'ল উচ্চ শিক্ষাৰ সংকোচন নীতিৰ ভেটি। বিশ্ব বেংকৰ ইং ১৯৮৬ চনত প্ৰকাশিত 'Report on Financing Higher Education in Developing countries' ত এই কথা স্পষ্টকৈ উল্লেখ কৰা হৈছে যে উন্নয়নশীল দেশবোৰৰ পুঁজিৰ সংকটৰ পটভূমিত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগত খৰচৰ এই সিংহ অংশ নিজে বহন কৰাৰ বাহিৰে আন কোনো গত্যন্তৰ নাই। উচ্চ শিক্ষাক আক্ৰমনৰ প্ৰথম লক্ষ্য হিচাপে বাচি লৈ বিশ্ব বেংকে উন্নয়নশীল দেশবোৰৰ চৰকাৰবোৰক উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰলৈ সাহায্যৰ পৰিমাণ কৰ্তন কৰাৰ পৰামৰ্শ আগবঢ়াইছে। প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ দিন ভাৰত চৰকাৰে যুগুত কৰা নতুন শিক্ষানীতি (NPE) উক্ত পৰামৰ্শৰ ভিত্তিতে যুগুত কৰা হৈছিল বুলি ভবাৰ থল আছে। ইং ১৯৮৬ চনত 'world Bank document Higher Education : Lessons of Experience' নামৰ প্ৰতিবেদনতো একে কথাই দোহাৰে ঃ "....the social rates of return on investments in primary and secondary education usually exceed the returns on higher education........" কিন্তু ইং ১৯৯৫ চনত প্ৰকাশিত UNESCO ৰ প্ৰতিবেদনত বিশ্ব বেংকে উচ্চশিক্ষাক 'non-merit good' হিচাপে আখ্যা দিয়াত দুৰ্ঘোৰ প্ৰতিবাদ জনায় ঃ "State and society must perceive Higher education not as a burden on federal budgets but as a long term domestic investment in order to increase economic competitiveness, cultural development and social cohesion. As a conclusion one could say that the public support to higher education is still essential in order to ensure its educational, social and institutional mission." ইং ১৯৯৭ চনৰ মে' মাহত প্ৰকাশিত ভাৰত চৰকাৰৰ "Government subsidies in India : Discussion paper" ত বিশ্ব বেংকক সমৰ্থন জনায় আৰু উচ্চ শিক্ষাৰ আঁচনিখন প্ৰস্তুত কৰে। উক্ত উচ্চ শিক্ষাৰ আঁচনিখনৰ আধাৰত ইং ১৯৯৮ চনত UNESCO ৰ এখন সন্মিলনত কেন্দ্ৰীয় মানৱ সম্পদ মন্ত্ৰী ডঃ মুৰুলী মনোহৰ যোশীয়ে দ্ব্যৰ্থহীনভাবে ব্যক্ত কৰিছে - ".........institutions of higher education should make efforts to raise their own resources by raising the fee levels, encouraging private donations and by generating revenues through consultanc and other activities........".

উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্ব বেংকে গ্ৰহণ কৰা নীতি অগ্ৰাহ্য কৰি ইং ১৯৯৮ চনত বহা বিশ্ব সভাই (world coference on Higher Education) এক প্ৰতিবেদন যুগুত কৰে ঃ "Rejecting the world Bank's view of higher education as a non-merit good, the policy document Higher Education in the Twenty fitst century : vision and Mission framed by the world conference on Higher Education

(1998) categorically stated that higher education is a public good, the benefits of which can not be fully estimated in monetary terms alone. It stated that public support for higher education and research remains essential to ensure a balanced achievement of educational and soical missions..........each higher education institution should define its mission according to the present and future needs of society and base it on an awareness of the fact that higher education is essential for any country or region to reach the necessary level of sustainable and environmentally sound economic and social development cultural creativity nourished by better knowledge and understanding of the cultural heritage, higher living standards and internal and international harmony and peace, based on human rights, democracy, tolerance and mutual respect."

ইং ১৯৯৮ চনত বিশ্ব বেংক আৰু UNESCO ৰ যুটীয়া প্ৰচেষ্টাত উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্বৰ উন্নয়নশীল দেশ সমূহে গ্ৰহণ কৰা নীতি অধ্যয়নৰ বাবে এটা শক্তিশালী ১৪ জনীয়া 'Task force' গঠন কৰা হয়। উক্ত 'Task force' ৰ অন্যতম সদস্য হিচাপে ভাৰতবৰ্ষৰ ডঃ মনমোহন সিঙকো অন্তৰ্ভুক্ত কৰা হৈছিল। "Task force', মূৰব্বী David E Bloom ৰ মতে "we should salute, but recognise the problems caused by, the incredible and growing thirst for education that we see all around the world. We have educated more and more young people to primary and secondary level-but they want more ! They realise something that even the richest governments are only beginning to wake up to : in today's world, higher education in basic education. Today higher education is needed by the masses and can no longer be confined to tiny elite."

মুঠতে কেৱল আমাৰ ৰাজ্যতে নহয়, সমগ্ৰ দেশতে শিক্ষাৰ প্ৰতি চৰকাৰী দায়বদ্ধতা ক্ৰমান্বয়ে হ্ৰাস পোৱা গৈছে। ই দেশৰ স্বাৰ্থত শুভ লক্ষণ নহয়। এইটো সৰ্বজনবিদিত যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নয়নে এখন দেশক সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত অৰিহণা যোগায়, লগতে জীৱ-বিজ্ঞানৰ কাৰিকৰী শিক্ষা আৰু বাতৰি কাৰিকৰী ব্যৱস্থাও নাটকীয় পৰিবৰ্ত্তন ঘটাব পাৰে। বিজ্ঞানৰ অগ্ৰগতিৰ লগত খাপ খাই চলিবৰ বাবে উচ্চ শিক্ষা গ্ৰহণ অপৰিহাৰ্য্য। পৰিতাপৰ বিষয় এইযে ভাৰতবৰ্ষৰ বাহিৰে তৃতীয় বিশ্বৰ দেশ সমূহে আনকি পাকিস্তানেও 'Task Force'ৰ প্ৰতিবেদনৰ গ্ৰহণযোগ্যতাৰ সপক্ষে মতপোষন কৰিছে। প্ৰতিবেদন যুগুত কৰা সমিতিৰ অন্যতম সদস্য ডঃ মনমোহন সিঙে ভাৰতবৰ্ষত কাৰ্যকৰী ব্যৱস্থাৰ বিপৰীতে দলীয় স্বাৰ্থৰ খাতিৰত নিমাত অথবা দুমুখীয়া নীতি গ্ৰহণ কৰাটো অতি পৰিতাপৰ কথা।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ইং ২০০০ চনৰ এপ্ৰিল মাহত 'Trade and Industrial council' ত দাখিল কৰা 'আমবানী বিৰলা' প্ৰতিবেদনে UNESCO প্ৰতিবেদনক গুৰুত্ব নিদি ইং ১৯৯৪ চনৰ বিশ্ব বেংকৰ প্ৰতিবেদনকে সমৰ্থন জনাই ৰাষ্ট্ৰীয় শিক্ষা সংশোধনী আঁচনিক কুঠাৰাঘাট কৰে। উচ্চ শিক্ষাক গুৰুত্ব দি ৰাষ্ট্ৰীয় আঁচনি





প্ৰস্তুত কৰা বিশ্বৰ অন্যতম দেশ চুইডেন আৰু চীনৰ কৃতকাৰ্যতা মনকৰিবলগীয়া। চুইডেনে মুঠ জাতীয় আয়ৰ ৮.৩ শতাংশ শিক্ষা শিতানত খৰচ কৰে। আনহতে 'আমবানী বিৰলা' প্ৰতিবেদনৰ পৰামৰ্শ মতে ভাৰতবৰ্ষই জাতীয় আয়ৰ ৩.১৫ শতাংশ শিক্ষা শিতানত খৰচ কৰা উচিত, যিটো কোঠাৰী আয়োগৰ পৰামৰ্শ ৬ শতাংশতকৈতো কমেই আনকি বৰ্তমান খৰচ কৰা ৩.২ শতাংশতকৈ কম। উচ্চ শিক্ষাত ব্যক্তিগতকৰণৰ পোষকতা কৰি 'আমবানী বিৰলা' প্ৰতিবেদনত ব্যক্তিগত খণ্ড আৰু চৰকাৰী খণ্ডৰ অনুপাত ৬০:৪০ হিচাপে পৰামৰ্শ আগবঢ়ায়। প্ৰতিবেদনে উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিদেশী কোম্পানীৰ প্ৰত্যক্ষ বিনিয়োগ (Foreign Direct Investment) ব্যৱস্থাক স্বাগতম জনাব বুলি স্পষ্ট ৰূপত উল্লেখ কৰে। 'আমবানী বিৰলা' প্ৰতিবেদনখন পুংখানুপুংখভাবে পৰ্য্যালোচনা কৰিলে দেখা যায় যে ই ৰাষ্ট্ৰৰ হিত সাধন কৰিব পৰা বা জাতীয় স্বাৰ্থৰ সপক্ষে যুগুত কৰা প্ৰতিবেদন হ'ব নোৱাৰে। ব্যক্তিগত লাভালাভৰ স্বাৰ্থ আগত ৰাখি আয়কৰ দিব নগলা উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ব্যৱসায়ৰ দুৱাৰ মুকলি কৰাৰ প্ৰয়াস উক্ত প্ৰতিবেদনখনত স্পষ্ট ৰূপত ফুটি উঠিছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে বিভিন্ন মহলৰ পৰা বিভিন্ন ধৰণে হেঁচা পোৱাৰ পিচত বিশ্ব বেংকে উচ্চ শিক্ষাৰ ক্ষেত্ৰত পূৰ্বে গ্ৰহণ কৰা নীতিৰ সামন্য পৰিবৰ্তনৰ মনোভাৱ প্ৰকাশ পোৱাত সচেতন মহলে স্বাগতম জনোৱা পৰিলক্ষিত হৈছে ঃ "The world Bank has totally reversed its definition of higher education over a period of eight years- from 1994 to 2002. Higher education is no longer a "a private good" but " a public good" even in the eyes of the world Bank.

বিশ্বায়নে উচ্চ শিক্ষাৰ সংকোচন নীতিকে পৰোক্ষভাৱে সমৰ্থন কৰে। অন্যহাতে উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ বিশ্বায়নৰে অন্য ৰূপ। ইং ১৯৯৪ চনত 'গ্যাট'ৰ উৰুগুৱে ৰাউণ্ডৰ মাজেদি মৰক্কোত স্বাক্ষৰিত 'গ্যাট' চুক্তি'ৰ জৰিয়তে বিশ্বায়নৰ নীতি গৃহীত হয়। উক্ত চুক্তিৰ ডাংকেল প্ৰস্তাৱৰ আধাৰত জন্ম হয় 'বিশ্ব বাণিজ্য সংস্থা'। গ্যাট চুক্তিত স্বাক্ষৰ কৰি ভাৰতবৰ্ষও বিশ্বায়নৰ নামত উক্ত সংস্থাৰ নিৰ্দেশ মানিবলৈ বাধ্য হয়। আমাৰ দেশত উচ্চ শিক্ষাৰ সংকোচন নঘটাই সম্প্ৰাসাৰণতহে গুৰুত্ব দিয়া আৱশ্যক য'ত ১৭-২৩ বছৰ বয়স সীমাৰ ছাত্ৰ-ছাত্ৰীৰ মাত্ৰ ৬ শতাংশহে উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ পায়। বিশ্বৰ অন্যান্য দেশবোৰৰ তুলনাত আমাৰ দেশ শিক্ষাৰ ক্ষেত্ৰত পিচ পৰা বুলি সকলোৱে জানে। শিক্ষাৰ ক্ষেত্ৰত ব্যয় সংকোচন নীতি গ্ৰহণৰ সময় এতিয়াও অহা নাই। এই ক্ষেত্ৰত অসমকে ধৰি অন্যান্য পিচ পৰা ৰাজ্যৰ কথাও ভাবিহে ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰাৰ পদক্ষেপ হাতত লোৱা আৱশ্যক।

বিশ্বৰ অন্যান্য ৰাষ্ট্ৰৰ তুলনাত ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ আৰম্ভণী আৰু বিকাশ বহুত পলমকৈ আৰম্ভ হৈছে। অসমৰ কথাটো আৰু সুকীয়া। ইয়াৰ তথ্যভিত্তিক প্ৰমাণ এটা উদাহৰণেৰে বোধগম্য হয়। ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয় স্থাপন হয় ইং ১৮৫৮ চনত অন্যহাতে ইয়াৰ প্ৰায় সাতশ বছৰ আগতে ১১৬৩ চনতে অক্সফৰ্ড বিশ্ববিদ্যালয় স্থাপন হয়। ইং ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ হোৱাৰ পিচতহে অসমত উচ্চ শিক্ষাৰ বাট মুকলি হয়। তাৰ আগলৈকে কলিকতা বিশ্ববিদ্যালয়ে গোটেই উত্তৰ পূৰ্বাঞ্চল সামৰি লৈছিল। তুলনামূলক অধ্যয়নৰ জৰিয়তে এইটো স্পষ্ট ৰূপত ওলাই পৰে যে ছয়শ বা সাতশ বছৰৰ অভাৱ সাধাৰণ শিক্ষানীতিৰে পূৰণ কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে বাস্তৱত গ্ৰহণ কৰাৰ পৰিবৰ্ত্তে সংকোচন নীতিহে বলবৎ কৰাৰ পোষকতা কৰা বাবে বিভিন্ন মহলত মিশ্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাতোকৈ আশ্বৰ্য্যৰ কথা এই যে অসম চৰকাৰে আৰু এখোজ আগুৱাই গৈ

দেশৰ ভিতৰতে পিচপৰা এখন ৰাজ্যত উচ্চ শিক্ষাৰ সংকোচন নীতিৰ অপৰিপক্ক পদক্ষেপ হাতত লৈ সৰ্বনাশ ঘটাবৰ যো-জা কৰিছে। এই কথা সকলোৰে অবগত যে অসম চৰকাৰে শেহতীয়াভাবে উচ্চ শিক্ষা সংকোচনৰ যি আত্মঘাতী নীতি বলবৎ কৰাৰ পোষকতা কৰিছে সেইটো শিক্ষক সমাজ, ছাত্ৰ-ছাত্ৰীৰ লগতে অসমৰ সাধাৰণ ৰাইজেও গ্ৰহণ কৰা নাই।

ইং ২০০১ চনৰ ডিচেম্বৰ মাহত প্ৰকাশিত হৰেণ দাসৰ অধ্যক্ষতাত গঠন হোৱা বিত্তীয় সংস্কাৰ কমিটিৰ পৰামৰ্শক দোহাই দি অসমৰ নিচিনা এখন পিচপৰা ৰাজ্যত ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ সমূহলৈ ১০ শতাংশ অনুদান (পাচ বছৰত ৫০ শতাংশ) কৰ্তনৰ ব্যৱস্থাত অসম কলেজ শিক্ষক সংস্থাই ব্যাপক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হয় আৰু তাৰ ফলশ্ৰুতিত কেবিনেট সিদ্ধান্তৰ জৰিয়তে চৰকাৰে উক্ত ব্যৱস্থা উঠাই লয়। ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজ সমূহলৈ দিয়া বিত্তীয় অনুদান অন্য সংগঠনসমূহলৈ দিয়া অনুদানতকৈ যে বেলেগ সেই কথা চৰকাৰে অনুধাৱন কৰাটো দৰকাৰ। কলেজ সমূহলৈ দিয়া অনুদানৰ সম্পূৰ্ণ ধন শিক্ষক-কৰ্মচাৰীৰ দৰমহাৰ নামতহে দিয়া হয় কোনো উন্নয়ন কামৰ বাবে নহয়। সেয়েহে অনুদান কৰ্তন মানে দৰমহা কৰ্তনকে বুজায়। এই কথা সৰ্বজনবিদিত যে অসমৰ ৪ খন চৰকাৰী কলেজৰ বাহিৰে ১৯০ খন ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজ ৰাইজৰ দান বৰঙনি আৰু উদ্যোগত প্ৰতিষ্ঠা হৈছিল। শেহতীয়াভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম বুলি ৫৬ খন ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজ বন্ধ কৰা অভিসন্ধিত ৰাজ্যজুৰি তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ পায় আৰু সকলো শিক্ষক একগোট হৈ প্ৰতিবাদ কৰাতহে কোনো ধৰণৰ বাস্তৱ পদক্ষেপ লোৱাৰ পৰা চৰকাৰ বিৰত থাকিল। উচ্চ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ বৰ্তমানৰ দৃষ্টিভংগী আৰু দায়িত্ব পালনত অক্ষমতা দূৰ নকৰিলে ভৱিষ্যত প্ৰজন্মই শিক্ষাৰ প্ৰতি অনীহা দেখুৱাব বুলি আশংকা কৰিব পাৰি।

উচ্চ শিক্ষাত যি সংকেট দেখা দিছে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কেৱল ৰাজ্যিক স্তৰত পালন কৰিলে আধৰুৱা হ'ব কাৰণ কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰভাৱ ৰাজ্যবোৰত প্ৰত্যক্ষভাবে পৰিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগতে বিশ্ববিদ্যালয় সমূহৰ কৰণীয় কেইবাটাও দিশ সামৰি লৈ খৰচি মাৰি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

১। এখন সমাজৰ সামগ্ৰিক বিকাশ আৰু উন্নতিৰ লগত সমাজখনৰ উচ্চ শিক্ষাৰ বিকাশ আৰু সুযোগ জড়িত হৈ থাকে। বৰ্তমান উচ্চ শিক্ষাৰ সংকোচন নীতি সমৰ্থন কৰি যুক্তি আগবঢ়োৱা হৈছে যে আমাৰ দেশত উচ্চ শিক্ষিতৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে ৰাষ্ট্ৰীয় সম্পদৰ সলনি কিছুমান শিক্ষিত নিবনুৱাৰহে সৃষ্টি কৰিছে।

তথ্যভিত্তিক প্ৰমাণ পোৱা গৈছে যে আমাৰ দেশৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৬ শতাংশইহে উচ্চ শিক্ষাত নামভৰ্ত্তিৰ সুবিধা পায়। বিশ্বৰ অন্যান্য উন্নত দেশৰ লগত ফেৰ মাৰিব হ'লে এই সংখ্যা ৩০ শতাংশলৈ বৃদ্ধি কৰিব লাগিব।

২। ভাৰতবৰ্ষত মুঠ জাতীয় আয়ৰ (GNP) ৩.২ শতাংশ ব্যয় শিক্ষা শিতানত ধৰা হৈছে। বিশ্বৰ উন্নত দেশ মূহৰ লগত খোজত খোজ মিলাবলৈ হ'লে এই ব্যয়ৰ পৰিমাণ ৬ শতাংশলৈ বৃদ্ধি কৰিব লাগিব।

৩। দেশৰ মূল্যবান সম্পদ ৰাজ্যিক (জল সম্পদ, খনিজ সম্পদ ইত্যাদি) পৰিকল্পনা আঁচনিৰ অন্তৰ্ভুক্ত কৰি তাৰ আহৰণ আৰু ব্যৱহাৰৰ প্ৰতি চৰকাৰী নীতি নিৰ্দেশনা প্ৰস্তুত কৰাত যেনেধৰণে গুৰুত্ব দিয়া হয়, মানৱ সম্পদক (Human resource) কিন্তু সেই স্থান দিয়া হোৱা নাই। বৌদ্ধিক জগতক নেতৃত্ব দিবলৈ আৰু জাতিৰ





সামগ্ৰিক বিকাশত অৰিহণা যোগাবলৈ মানৱ সম্পদক এক সুপৰিকল্পিত আঁচনিৰ অন্তৰ্ভুক্ত কৰিলেই প্ৰকৃত অৰ্থত পৰোক্ষভাবে উচ্চ শিক্ষাক গুৰুত্ব দিয়া হ'ব।

৪। 'গ্যাট' চুক্তিৰ জৰিয়তে যদিও ভাৰতবৰ্ষই বিশ্বায়নৰ নীতি সমৰ্থন কৰিছে তাৰ অৰ্থ এইটো হ'ব নালাগে যে বিশ্ব বেংক বা বিশ্ব বাণিজ্য সংস্থাৰ প্ৰতিটো পৰামৰ্শ মানি চলিব লাগিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ব্যয় কৰ্ত্তনৰ পৰামৰ্শ ভাৰতবৰ্ষৰ নিচিনা এখন দেশৰ বাবে প্ৰযোজ্য হ'ব নোৱাৰে। তাৰোপৰি শেহতীয়াভাবে বিশ্ব বেংকৰো উচ্চ শিক্ষাৰ ক্ষেত্ৰত দৃষ্টিভংগী সলনি হৈছে।

বৰ্তমান ভাৰতবৰ্ষত ২২৮ খন বিশ্ববিদ্যালয় (Deaned University সামৰি) আৰু প্ৰায় ১০০০ খনতকৈ অধিক কলেজ আছে। ভৱিষ্যতে উক্ত সংখ্যা বৃদ্ধি নকৰি বৰ্তমান অৱস্থাত থকা বিশ্ববিদ্যালয় আৰু কলেজ সমূহলৈ অধিক সা-সুবিধা প্ৰদানৰ ব্যৱস্থাৰে গুণগত মান উন্নত কৰাত গুৰুত্ব দিয়া উচিত।

৫। অসমৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অতি শীঘ্ৰে এখন বিস্তাৰিত শিক্ষানীতি গ্ৰহণ কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাৰ দিশ সমূহৰ লগত গুণগত মান উন্নত কৰাৰ ব্যৱস্থা কৰিলে শৈক্ষিক দিশত নিশ্চয় এক বলিষ্ঠ পদক্ষেপ লোৱা হ'ব বুলি ভবাৰ থল আছে। বিশ্ববিদ্যালয় অনুদান আয়োগ, চৰকাৰ আৰু বিশ্ববিদ্যালয় সমূহৰ এক সুসম্পৰ্ক আৰু সমন্বয়ে সুস্থ শৈক্ষিক পৰিবেশ গঢ়াত সহায়ক হয়। অসমৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা গৈছে। পাঠ্যক্ৰম, দিনপঞ্জী, বন্ধৰ লিষ্ট, পৰীক্ষা সমূহৰ তাৰিখ নিৰ্দ্ধাৰণ আৰু ফলাফল ঘোষণা ইত্যাদিৰ ক্ষেত্ৰত অসমৰ আটাইকেইখন বিশ্ববিদ্যালয়ৰ মাজত কোনো ধৰণৰ সম্পৰ্ক নথকাতো পৰিলক্ষিত হৈছে।

৬। অসমৰ ক্ষেত্ৰত স্থানীয় সম্পদৰাজিৰ সঁচা অৰ্থত সংব্যৱহাৰ আৰু উৎপাদনৰ লগত সংগতি ৰাখি বিশ্ববিদ্যালয় সমূহে কৰ্ম সংস্থানমূখী পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে ছাত্ৰ-ছাত্ৰীসকলৰ মন আকৰ্ষণ কৰিব পৰা ব্যৱস্থা হাতত লৈ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ নতুন নতুন ক্ষেত্ৰবোৰ সামৰি লোৱাৰ সময় সমাগত। অন্যথা তথাকথিত পৰম্পৰাভাবে চলি থকা ভৱিষ্যতে কৰ্মবিমুখ পাঠ্যক্ৰমেৰে ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজ আৰু জাতীয় জীৱনৰ কোনো ধৰণৰ পৰিবৰ্ত্তন ঘটাব নোৱাৰিব।

৭। ইং ১৯৮৬ চনৰ নতুন শিক্ষানীতিৰ (NPE) আধাৰত পৰবৰ্ত্তী সময়ত কেন্দ্ৰীয় চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থাৰ অন্যতম পদক্ষেপ হিচাপে Private University Bill ৰ জৰিয়তে উচ্চ শিক্ষাৰ ক্ষেত্ৰত যি পৰিবৰ্ত্তন অনাৰ কথা চিন্তা কৰিছে সি জাতীয় জীৱনৰ বাবে এক মাৰাত্মক আত্মঘাতী পদক্ষেপ হ'ব। উক্ত বিলৰ জৰিয়তে নিজে নিজৰ অৰ্থ যোগানৰ ব্যৱস্থা কৰা অৰ্থাৎ চৰকাৰৰ পৰা কোনোধৰণৰ বিত্তীয় সহায়ৰ প্ৰয়োজন নথকাৰ বাবে উদ্যোক্তা কমিটিৰ (Sponsoring body) সম্পূৰ্ণ নিয়ন্ত্ৰণত বিশ্ববিদ্যালয় সমূহ প্ৰতিষ্ঠা হ'ব। সেই বিশ্ববিদ্যালয় সমূহত নিশ্চয় পাঠ্যক্ৰমবোৰ এনেদৰে অন্তৰ্ভুক্তি কৰা হ'ব যত বহু জাতিক কোম্পানী, অনাবাসী ভাৰতীয় আৰু পুঁজিপতি বা সম্পদশালী লোকৰহে যথেষ্ট গুৰুত্ব থাকিব। এই পাঠদানৰ জৰিয়তে ছাত্ৰ ছাত্ৰীৰ পৰা ব্যৱসায়িক ভিত্তিত ধন সৰকোৱাৰ পথ সুচল কৰাই প্ৰধান লক্ষ্য। সমাজৰ দুৰ্বল শ্ৰেণীৰ মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে এই বিশ্ববিদ্যালয় সমূহৰ দুৱাৰ সদায় বন্ধ থাকিব। অসমৰ পটভূমিত ইয়াৰ বাস্তৱ দিশটো বিবেচনা নকৰাকৈ যদি ব্যক্তিগত খণ্ডত প্ৰতিষ্ঠা হ'ব লগা বিশ্ববিদ্যালয় স্থাপনৰ সুবিধা দিয়া হয় তেনেহ'লে চৰকাৰৰ বাবে ই এক আত্মঘাতী পদক্ষেপ হ'ব। □□

# সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ দাবীসমূহৰ কাৰ্য্যকৰীকৰণ আৰু ভৱিষ্যত কাৰ্য্যপন্থা সম্পৰ্কে

❑ শ্ৰীসুৰেন্দ্ৰ নাথ শইকীয়া
সাধাৰণ সম্পাদক,
সদৌ অসম কলেজ কৰ্মচাৰী সন্থা

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাই ইং ১৯৬০ চনতে জন্ম গ্ৰহণ কৰিছিল কেইজনমান শ্ৰদ্ধেয় কৰ্মচাৰীৰ উদ্যোগত। তেখেত সকলো বৰ্ত্তমান হয়তো এই সংসাৰৰ পৰা বিদায় ল'লে। তেখেত সকলৰ প্ৰচেষ্টাৰ ফল স্বৰূপে এই সন্থাই ৰূপালী জয়ন্তী অতিক্ৰম কৰি বৰ্ত্তমান ৪২ তম্ অধিবেশন ২০০৪ (গোঁসাইগাও কলেজ) লৈ আগবাঢ়িছে। সন্থাৰ আপ্ৰাণ চেষ্টাৰ ফলস্বৰূপে কৰ্মচাৰী বন্ধু সকলে চৰকাৰৰ নিৰিখত বেতন, বানচ আৰু চৰকাৰৰ সংশোধিত বেতন আদি সমহাৰত উপভোগ কৰি আছে। এই সন্থাৰ জৰিয়তে ইং ১৯৮৪ চনৰ পৰা ঘৰভাড়া, চিকিৎসা বানচ উপভোগ কৰি আহিছে ইং ১৯৬৭ চনৰ পৰা চৰকাৰী নীতি নিয়ম অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে কৰ্মচাৰীৰ পদ সৃষ্টি কৰিছে। লগতে গ্ৰেটুইটি আৰু পুৰণা কলেজ সমূহলৈ চুপাৰভাইজাৰ এচিচ্‌টেণ্ট, লেব'ৰটৰী এচিচটেণ্ট আদি পদো সৃষ্টি কৰিছে। কলেজ কৰ্মচাৰী সকলৰ সাফল্যৰ মূলতে হ'ল সন্থাৰ জন্মদাতা সকল। তেখেত সকললৈ আমাৰ সদায় শ্ৰদ্ধা থাকিব।

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ যোৱা ২৯, ৩০ আৰু ৩১ মে-২০০২ ইং তাৰিখে ৪১ তম্ বাৰ্ষিক অধিৰেশন মাধৱদেৱ নাৰায়নপুৰত অনুষ্ঠিত হৈ যায়। প্ৰতিনিধি সভাই কলেজ কৰ্মচাৰী সকলৰ বাবে ৮ দফীয়া দাবী প্ৰস্তাৱ গ্ৰহণ কৰিছিল। উক্ত দাবীসমূহ কাৰ্য্যকৰীকৰণৰ বাবে কাৰ্য্যনিৰ্বাহক সভাই চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী চনদ উত্থাপন কৰি আহিছে। ইয়াৰ ফলস্বৰূপে কলেজ কৰ্ম্মচাৰী সকলে বকেয়াধন ৬ (ছয়) কৌটি টকা আদায় পাইছে আৰু পাবলগীয়া ৬২ লাখ টকাৰ প্ৰস্তাৱ শিক্ষাবিভাগলৈ প্ৰেৰণ কৰা হৈছে।

যোৱা ৫/৫/০৩ ইং তাৰিখে এপিচিচি (আই) শিক্ষক চেলৰ জৰিয়তে অসমৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক সন্থাৰ দাবী চনদ দিয়া হয় আৰু আলোচনাও কৰা হয়। আলোচনাৰ অন্তত শিক্ষামন্ত্ৰী মহোদয়ে গোটেই প্ৰস্তাৱৰ ওপৰত ১৪/০৫/০৩ ইং তাৰিখে বিস্তৃত আলোচনা কৰিবলৈ সন্মতি প্ৰদান কৰে। সন্থাৰ ৭ জনীয়া সজাতীদলে এপিচিচি (আই) শিক্ষক চেলৰ আগত ৮ দফীয়া দাবীসমূহ পুংখানুপুংখভাৱে আলোচনা কৰে। যেনে-

(১) কলেজ-কৰ্ম্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰণ সন্দৰ্ভত বিশদভাৱে আলোচনাৰ পিছত তেখেত সকলে শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত বিষয়টো দাঙি ধৰাৰ আশ্বাস দিয়ে।





(২) কলেজ কৰ্ম্মচাৰী সকলৰ বাবে মাহিলি দৰমহাৰ পৃথক বাজেট কৰিবৰ বাবে জনোৱা দাবীৰ ক্ষেত্ৰত চৰকাৰী পক্ষই উচ্চশিক্ষাধিকৰ্ত্তাৰ লগত আলোচনা কৰি এই সম্পৰ্কত চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াব বুলি জনায়।

(৩) কলেজ সমূহৰ পৰিচালনা সমিতিত গণতান্ত্ৰিক পদ্ধতিৰে প্ৰতিনিধিত্ব কৰিবৰ বাবে অনা শিক্ষক কৰ্মচাৰীৰ এজন সদস্য ৰখাৰ ব্যৱস্থা কৰা হ'ব বুলি এপিচিচি (আই) শিক্ষক চেলৰ তৰফৰ পৰা আশ্বাস প্ৰদান কৰা হয়।

(৪) অসম কলেজ পৰিচালনা বিধি-২০০১ ৰ নামাকৰণ Non-Govt. colleges Management Rules ৰ পৰিবৰ্ত্তে পূৰ্বৰ Assam Aided colleges management Rules বাহাল ৰাখিবলৈ দাবী জনোৱা হয়। চৰকাৰী পক্ষই জনায় যে বৰ্ত্তমান কেন্দ্ৰীয় শিক্ষানীতিৰ লগত এই প্ৰশ্নটো জড়িত হৈ আছে। গতিকে এই সম্পৰ্কত এই পৰ্য্যায়ত বিষয়টো আলোচনা কৰি লাভ নাই। সেয়েহে বিষয়টো বৰ্ত্তমান স্থগিত ৰাখিবলৈ দুয়োপক্ষ সন্মত হয়।

(৫) কলেজ শিক্ষক কৰ্মচাৰীৰ পেঞ্চন সংক্ৰান্তীয় পৰিচালনা বৰ্ডোত অনা শিক্ষক কৰ্মচাৰীৰ ফালৰ পৰা আৰু এজন সদস্য অন্তৰ্ভুক্ত কৰাৰ দাবী সম্পৰ্কত আলোচনাৰ অন্তত অনা শিক্ষক কৰ্মচাৰীৰ ২ (দুই) জন সদস্য নিয়োগৰ প্ৰস্তাৱ চৰকাৰৰ ওচৰত চেলে উত্থাপন কৰিব বুলি জনায়।

(৬) NAAC ৰ দ্বাৰা কলেজ সমূহৰ মূল্যায়ন সংক্ৰান্তীয় State level Assessment Accreditation committee ত অনা শিক্ষক কৰ্মচাৰীৰ এজন সদস্য অন্তৰ্ভুক্তিৰ বাবে জনোৱা দাবী সন্দৰ্ভত চৰকাৰী পক্ষই সকলো তথ্য তেখেতসকলক দিবলৈ জনায় আৰু উক্ত তথ্য নিৰীক্ষণ কৰি চৰকাৰৰ ওচৰত বিষয়টো উত্থাপন কৰা হ'ব বুলি 'চেলে' আশ্বাস দিয়ে।

(৭) পাবলগীয়া বকেয়াধন ৬২ লাখ টকা আদায় দিয়াৰ ক্ষেত্ৰত 'চেলে' চৰকাৰক অতি সোনকালে উক্ত ধন আদায়ৰ বাবে পৰামৰ্শ দিব বুলি জনায়।

(৮) (ক) অৱসৰ কালীন ভাট্টা ৭২ হাজাৰৰ পৰিবৰ্ত্তে সোনকালে ২ (দুই) লাখ কৰাৰ দাবী সম্পৰ্কতো 'চেলে' চৰকাৰক অনুকুল পৰামৰ্শ দিব বুলি জনায়।

(খ) চতুৰ্থ শ্ৰেণীত কাম কৰা অৰ্হতা আৰু অভিজ্ঞতা সম্পন্ন কৰ্মচাৰীক তৃতীয় শ্ৰেণীৰ খালি হোৱা পদত নিয়োগৰ ব্যৱস্থাৰ আদেশৰ ক্ষেত্ৰত 'চেল' সন্থাক বিষয়টো সম্পৰ্কত ভালকৈ ভাবি চিন্তি চাই পৰামৰ্শ আগবঢ়াবৰ বাবে উপদেশ প্ৰদান কৰে।

(গ) কলেজৰ অনা শিক্ষক কৰ্মচাৰী সকলৰ সময় নিৰ্দ্ধাৰিত প্ৰমোচন (Time bound promotion) আৰু দৰ্মহাৰ নিৰিখ নিৰ্দ্ধাৰণ সম্পৰ্কত 'চেলে' সন্থাক এই সম্পৰ্ক সুচিন্তিত পৰামৰ্শ আগাবঢ়াবলৈ প্ৰস্তাৱ দিয়ে।

(ঘ) চৰকাৰী বন্ধৰ লগত সামঞ্জস্য ৰাখি কলেজ কৰ্মচাৰী সকলকো একেই বন্ধৰ আওতালৈ নিব লাগে বুলি জনোৱা দাবী সম্পৰ্কত তাৰ সলনি Leave encashment গ্ৰহণ কৰিবলৈ চেলে প্ৰস্তাৱ আগবঢ়ায়।

(ঙ) লাইব্ৰেৰী বাহক আৰু বিজ্ঞানাগাৰ বাহকৰ বেতনৰ তাৰতম্য সংশোধনৰ প্ৰস্তাৱ সম্পৰ্কতো 'চেলে' সন্থাক সুচিন্তিত পৰামৰ্শ আগবঢ়ালৈ প্ৰস্তাৱ দিয়ে।

(চ) চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ জ্যেষ্ঠ জনক দপ্তৰী পদত নিয়োগ সম্পৰ্কত সুচিন্তিত পৰামৰ্শ আগবঢ়ালৈ 'চেলে' সন্থাক প্ৰস্তাৱ দিয়ে।

(ছ) কলেজৰ চুপাৰভাইজাৰ এচিষ্টেন্ট পদৰ নামাকৰণৰ 'Supdt' কৰা সম্পৰ্কত আৰু গাননিকৰ ভাট্টা সম্পৰ্কতো 'চেলে' সন্থাক এটি সুনিৰ্দ্দিষ্ট প্ৰস্তাৱ আগবঢ়াবলৈ পৰামৰ্শ দিয়ে।

ভৱিষ্যত কাৰ্যপন্থা ঃ

সন্থাৰ বিগত সন্মিলনে ঐক্য মতেৰে গ্ৰহণ কৰা বৰ্ত্তমানৰ দাবীচনদখনি আৰু তাৰ কাৰ্য্যকৰী কৰণৰ বাবে সন্থাই গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে ওপৰত উল্লেখ কৰা হ'ল। যি সূত্ৰেৰে চৰকাৰৰ লগত আলোচনা অনুষ্ঠিত হৈছে সেই সূত্ৰৰ ওপৰত আমি যথেষ্ঠ আস্থা স্থাপন কৰিছোঁ আৰু আশা কৰিছো বৰ্ত্তমানৰ অভিবৰ্তনখনিৰ প্ৰাকমূহুৰ্ত্তত চৰকাৰে অন্ততঃ ন্যূনতম এনে কেইটামান দাবীৰ প্ৰতি সদৰ্থক সহাঁৰি দিব যি কেইটাৰ ক্ষেত্ৰত আলোচনাকাৰী দুয়োপক্ষই সহমত প্ৰকাশ কৰিছে। যি কেইটা দাবী চৰকাৰে মানি লোৱাত বিশেষ কোনো অসুবিধা নাই তথা চৰকাৰৰ বিশেষ কোনো বিত্তীয় খৰছো নাই; আশা কৰো এই ঘোষণাৰ জৰিয়তে চৰকাৰে উক্ত দাবী সমূহৰ ক্ষেত্ৰত নিজৰ সদিচ্ছাৰ ইঙ্গিত দিব যাৰ জৰিয়তে ভৱিষ্যতে অন্যান্য প্ৰধান দাবী সমূহৰ সমাধানৰ পথো সুগম হৈ পৰে আৰু পাৰস্পৰিক আস্থাৰ পৰিবেশ গঢ়ি উঠে।

কিন্তু এইখিনিতেই সন্থাৰ সদস্য সকলক আমি সকিয়াই দিব বিচাৰো যে আমি সদায় সজাগ আৰু সচেষ্ট হৈ থাকিব লাগিব। প্ৰয়োজনবোধে আমি শেষ উপায় হিচাবে আন্দোলনৰ পথো গ্ৰহণ কৰিবলগীয়া হ'ব পাৰে। তাৰ বাবে কিন্তু আমাৰ সংগঠনৰ বৰ্ত্তমানৰ দুৰ্বলতাসমূহ দূৰ কৰি নিজকে তেনে পথ অবলম্বনৰ বাবে উপযুক্ত কৰি তুলিব লাগিব। সেই উদ্দেশ্যেই আমাৰ এই প্ৰথম সাংগঠনিক অভিবৰ্ত্তন। আহক এই অভিবৰ্ত্তনৰ জৰিয়তে সদৌ অসম কলেজ কৰ্মচাৰী সন্থাক এক সবল, সক্ষম আৰু কাৰ্যকৰী সংগঠন হিচাবে গঢ়ি তোলো। ◻◻





# কেৰিয়াৰ প্লেনিং

◻ শ্ৰীঅপূৰ্ব কুমাৰ গোস্বামী
মূৰব্বী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ
ৰঙিয়া মহাবিদ্যালয়

সদ্যহতে আৰ্থিক আৰু ৰাজনৈতিক পৰিবৰ্ত্তনৰ বাবে চাকৰিৰ স্থায়িত্ব নাই। কৰ্ম সংস্থানবিলাক দক্ষতাভিত্তিক হৈ উঠিছে। গোটেই জীৱন চাকৰি কৰি থাকিব পাৰিম বুলি কোনেও গেৰান্টি দিব নোৱাৰে। কিন্তু জীৱনৰ দায়িত্ববিলাক পালন কৰিবলৈ মানুহ এজন গোটেই জীৱন দক্ষ হৈ থাকিব লাগিব।

অসমৰ ক্ষেত্ৰত এই কথাখিনিয়ে বেলেগ ধৰণে প্ৰযোজ্য হয়। ৰাজ্য আৰু কেন্দ্ৰিয় চৰকাৰ উভয়ে কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰিব ধৰিছে। চৰকাৰী খণ্ডৰ উদ্যোগ আৰু ব্যৱসায় প্ৰতিষ্ঠান বিলাক হয় বন্ধ হ'ব ধৰিছে নহয় নিৰ্বি-নিয়োজন কৰি ব্যক্তিগত খণ্ডক হস্তান্তৰ কৰিবলৈ ধৰা হৈছে। যোৱা ১০বছৰত অসমত নতুন উদ্যোগ গঢ়া নাই। এনেস্থলত কৰ্ম সংস্থানৰ অভাৱত নিবনুৱাৰ সংখ্যা দিনকে দিনে বাঢ়িব লাগিছে। এই পৰিস্থিতিৰ বিপৰীতে দক্ষ শ্ৰমিক আৰু কাৰিকৰী কৌশল সম্পন্ন মানুহৰ বাবে অসমৰ আৰ্থিক গতিবিধি ব্যাহত হোৱা দেখা যায়। ইংৰাজী ভাষাৰ টাইপিষ্ট, পাৰ্চনেল কম্পিউটাৰ মেৰামতি কৰিব জনা সুদক্ষ মেকানিক, পানীকল মিস্ত্ৰী আদি তথাকথিত তৃতীয় শ্ৰেণীৰ চাকৰিত নিযুক্তি দিবলৈ কামজনা মানুহৰ অভাৱ।

সেইদেখি অসমত কেৰিয়াৰ প্লেনিঙৰ গুৰুত্ব বাঢ়িছে। ভৱিষ্যতে কি কৰিম সেইয়া আগতে স্থিৰ কৰিব পাৰিলে মানুহ একোজন, সমাজ আৰু দেশ সকলোৱে লাভান্বিত হ'ব পাৰে । এই লাভবোৰ থোৰতে তলত উল্লেখ কৰাৰ দৰে ঃ

(১) কেৰিয়াৰ প্লেনিংৰ দ্বাৰা মানুহ এজনে তেওঁৰ ব্যক্তিগত জীৱনত নিম্নতম বিনিয়োগৰ দ্বাৰা অধিকাধিক উপাৰ্জ্জন কৰি নিজৰ জীৱনৰ চাহিদা বোৰ অনাসায়ে পূৰণ কৰিব পাৰে। নিজৰ অভিৰুচি অনুসৰি জীৱিকা নিৰ্ব্বাচন কৰি মানুহ একোজনে তেওঁৰ জীৱনৰ আনন্দ উপভোগ বৃদ্ধি কৰিব পাৰে।

(২) কেৰিয়াৰ প্লেনিংত গুৰুত্ব দিলে সমাজ একোখনে শান্তিত জীৱন-যাপন কৰিব পাৰে। সমাজ এখনৰ কৰ্মক্ষম যুৱক - যুৱতী সকল অৰ্থপূৰ্ণ কৰ্ম্ম-সংস্থানত নিযুক্তি হৈ থাকিলে সামাজিক শান্তি অব্যাহত থাকে। তেওঁলোকৰ একো নাথাকিলে সমাজ দৰ্শনৰ উপযোগিতাৰ প্ৰশ্নতুলি সমাজ জীৱন বিঘ্নিত কৰে।

(৩) দেশ একোখনৰ আচল সম্পদ হ'ল দেশখনৰ জনবল। কোনোধৰণৰ প্ৰাকৃতিক সম্পদ নথকা সত্বেও জাপান পৃথিৱীৰ আগশাৰীৰ উন্নত দেশ হোৱাৰ কাৰণ হ'ল জাপানী মানুহৰ কৰ্ম্মশক্তি। দ্বিতীয় মহাযুদ্ধত পাৰমানৱিক বোমাৰ আঘাত পোৱা জাপানে নাগৰিক সকলৰ কেৰিয়াৰ প্লেনিংৰ দ্বাৰা মনুষ্য বলৰ এধানিও অপচয় নকৰাহেতু আই লখিমীৰ বৰ পুতেক হ'ব পাৰিছে।

অসমত কেৰিয়াৰ প্লেনিংৰ কথা ভাবোতে স্কুলীয়া ছাত্ৰ- ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ কৰ্ম্মপন্থাৰ বিষয়ে নজৰ দিয়া হয়। পিছে বয়সস্থ মানুহেও নিজৰ কেৰিয়াৰ প্লেনিং কৰিব পাৰে। কমবয়সীয়া ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ প্লেনিংৰ পৰিধি বহুমুখী। বয়সিয়াল মানুহৰ কেৰিয়াৰ প্লেনিং সীমাবদ্ধ।

কেৰিয়াৰ বুলিলে আমি মানুহ এজনে তেওঁৰ জীৱনৰ সৰহভাগ সময় খৰচ কৰা কৰ্ম ৰাজিৰ ফালে আঙুলিয়াও। এই কেৰিয়াৰ নিৰ্ব্বাচন কৰোতে মানুহ এজনৰ ৰুচি - অভিৰুচি, বুদ্ধি-বৃত্তি, ব্যক্তিত্ব, পইচা আৰু সময় খৰচ কৰিব পৰা সামৰ্থ, মূল্যবোধ আদি অনেক কথা ফহিয়াই চাব লাগে। নিজৰ ব্যক্তিত্বৰ সম্যক ধাৰণা আৰ্জি ব্যক্তিত্ব বিকাশ কৰিলে যি কোনো মানুহে কেৰিয়াৰত সফল হ'ব পাৰে।তাৰবাবে আত্ম-জাগৃতি, ব্যক্তিত্বৰ বিকাশ আৰু ব্যক্তিগত কুশলতাৰ প্ৰতি মনোযোগ দিব লাগে।

(১) আত্ম-জাগৃতি বা নিজৰ বিষয়ে জনা এটা দুৰূহ কাম। নিজৰ বিষয়ে আমি কেতিয়াও বেয়াকৈ নাভাবো। প্ৰতি মানুহেই ভাবে যে তেওঁৰ দোষ নাই। কিন্তু মানুহ মাত্ৰৰে ভুল হয়। সেয়েহে কেৰিয়াৰ বা ভৱিষ্যৎ জীৱনৰ বৃত্তি উজ্জ্বল কৰিব খোজা মানুহে তলত লিখা প্ৰশ্ন সাতোটাৰ উত্তৰ বিচাৰিব লাগে। সেই প্ৰশ্নকেইটা হ'লঃ(ক) মই কোন ? (খ) মই কৰ পৰা আহিছো ? (গ) মই ক'লৈ যাম ?(ঘ) মোক কিহে বাধা দিয়ে ? (ঙ) মই লক্ষ্য ভেদ কেনেকৈ কৰিম ? (চ)মোক কি সহায় লাগে ? (ছ) লক্ষ্যত উপস্থিত হোৱাৰ পিচত মোৰ কি লাভ হ'ব ?

মই কোন বোলোতে মানুহজনৰ স্বাস্থ্য, মন, ধন-সম্পত্তি আৰু জীৱনৰ লক্ষ্যৰ বিষয়ে চিন্তা কৰা হয়। মই কৰপৰা আহিছো বোলোতে মানুহজনৰ ঘৰৰ পৰিবেশ, চৌকাষ, ধৰ্মীয় বিশ্বাসৰ কথা আহে। মই কলৈ যাম বোলোতে মানুহজনে ভবিষ্যতে জীৱনৰ লক্ষ্য প্ৰাপ্তিত কিহে বাধা দিয়ে সেয়া গুৰুত্বপূৰ্ণ বিষয়। আজিৰ পৰা ৫০ বছৰৰ আগতে ছোৱালী এজনীয়ে ভাৰতত পুলিচ বিষয়া হোৱাৰ কথা ভাবিব নোৱাৰিছিল। কিন্তু ভাৰতত মহিলা পুলিচ আজিকালি সবৰ্ত্ৰ দেখা যায়। তেনেদৰে আজিকালি উৰাজাহাজৰ পাইলট হ'বলৈ দহ লাখমান টকা মাচুল দিব লাগে। ই কেৰিয়াৰ গঢ়াত বাধা দিয়ে। কিন্তু দেশৰ আইন সলনি হোৱা বাবে ওলাই পৰে। তেতিয়া সহায় লৈ লক্ষ্যত উপনিত হ'ব পাৰি। মই লক্ষ্য ভেদ কৰিম বুলি স্থিৰ কৰিলে কি সহায় লাগিব গণিতসহ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰা ল'ৰাই ভাৰতীয় বিমান - বাহিনীত এয়াৰমেন হিচাপে সোমালে জেপৰ ধন খৰচ নকৰাকৈ চৰকাৰী খৰচত বিমান চলাবলৈ শিকিব পাৰে। লক্ষ্যপ্ৰাপ্তিৰ পিচত কি লাভ হ'ব সেয়া আগতীয়াকৈ নাভাবিলে জীৱন উপভেগ কৰিব নোৱাৰিব। খাই -বৈ কথাৰ মহলা মাৰি ভাল পোৱা মানুহে উৰাজাহাজৰ পাইলট হ'লে সুখ নাপায়। কিয়নো পাইলট এজনে অনবৰত উৰিবলৈ সাজু হৈ থাকিব লাগে।

(২) এবাৰ নিজৰ পৰিচয় ল'লে সেই দোষ- গুণৰ খতিয়ান লৈ নিজক গঢ়িব পাৰি। ব্যক্তিত্বৰ বিকাশ কৰিব খোজা মানুহ ধৈৰ্য্যশীল, আত্মাবিশ্বাসী, আৰু সদায় আনৰ ভাল দেখা বিধৰ হ'ব লাগে। এনে মানুহে বিজ্ঞজনৰ সহায় লৈ ব্যক্তিগত কুশলতা আৰ্জিব পাৰে।

(৩) ব্যক্তিগত কুশলতা হ'ল কিছুমান কৌশল, যাৰ দ্বাৰা আমি অইন মানুহৰ মনত দুখ নিদিয়াকৈ জীৱনত চলিব পাৰো। যেনে মিঠা- মাত, ভদ্ৰ ব্যৱহাৰ, গালি নপৰাকৈ আনৰ ভুল আঙুলিয়াই দিব পৰা আদি। তাৰ বাবে মানুহে কমিউনিকেচন স্কিল বা যোগাযোগৰ দক্ষতা, দূৰদৃষ্টি আৰু কাণ্ড-জ্ঞান আৰ্জিব লাগে।

ছাত্ৰ-ছাত্ৰী আৰু অভি ভাৱক উভয়পক্ষই নিজাববীয়াকৈ যত্ন ল'লেহে কেৰিয়াৰ গঠন কৰাত সহায় হ'ব আৰু এই সমস্যাৰ সমাধান হ'ব। চৰকাৰে এই সমস্যাৰ সমাধান কৰিব নোৱাৰে।





ল'ৰা-ছোৱালীৰ ব্যক্তিত্ব বিকাশৰ লগতে ভবিষ্যতে তেওঁলোকৰ বাবে কি কেৰিয়াৰ বা চাকৰি অথবা জীৱিকা হ'ব জনা দৰকাৰ। তথ্য -প্ৰযুক্তিৰ খৰতকীয়া প্ৰগতি আৰু উদ্যোগ ব্যৱসায়ত গ্ৰাহকৰ চাহিদাক গুৰুত্ব দিয়া দেখি ভৱিষ্যতে কি কেৰিয়াৰ ভাল হ'ব— সেয়া আজিয়ে কোৱা টান; কিন্তু মনোবিজ্ঞানী সকলে মানুহৰ স্বভাৱ আৰু যোৱা এশ বছৰৰ চাকৰিৰ বজাৰত খতিয়ান লৈ এখন তালিকা তৈয়াৰ কৰিছে।সেই তালিকাখন পূৰ্ণ শতাংশই শুদ্ধ নহয়। তথাপি সি আমাৰ ল'ৰা- ছোৱালীৰ ভৱিষ্যৎ জীৱনৰ লক্ষ্য স্থিৰ কৰাত সহায় কৰিব পাৰে। সেই তালিকাখন ব্যক্তিত্বৰ সৈতে “খাপ খোৱা জীৱিকা” শীৰ্ষক শিৰোনামা দি এই লিখনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

কিন্তু অসমৰ মফছলীয়া ঠাইৰ ল'ৰা -ছোৱালীৰ বাবে কেৰিয়াৰ প্লেনিংৰ ক্ষেত্ৰত এটা বাধা হ'ল কেৰিয়াৰ গঢ়াৰ সুবিধাৰ খা-খবৰ নজনা। সদ্যহতে ভাৰতত ১৬৮ টা কেৰিয়াৰ আছে। দুই এবছৰৰ ভিতৰত আৰু দুটা কেৰিয়াৰ বিকশিত হৈ ইয়াৰ সংখ্যা হবগৈ ১৭০ টা। এনে স্থিতিৰ সঠিক খা-খবৰৰ সত্যতাও জটিল হৈ পৰে। সেয়েহে আমাৰ পঢুৱৈ সকলৰ বাবে বৰ্ত্তমানে ভাৰতত উপলব্ধ প্ৰধান কেৰিয়াৰ বিলাকৰ এখন তালিকাক “এন ইন্দিকেটিভ লিষ্ট অব কেৰিয়াৰ অপচন্স” শীৰ্ষক শিৰোনামা দি ইংৰাজী ভাষাত লিখি এই লিখনিৰ অন্তৰ্ভুক্ত কৰি লিখনি সামৰা হৈছে।

ব্যক্তিত্বৰ সৈতে খাপ খোৱা জীৱিকা

| ব্যক্তিত্বৰ বিভাজন | বাস্তৱবাদী | অনুসন্ধানী প্ৰেমী | কলাসুলভ | উদ্যোগী | পাৰস্পৰিক | সামাজিক |
|---|---|---|---|---|---|---|
| | কৃষক | জীৱ-বিজ্ঞানী | বিজ্ঞাপন বিষয়া | বিক্ৰীদাৰ | একাউটেন্ট | সমাজসেৱক |
| | কৃষি অভিযন্তা | চিকিৎসা বিজ্ঞানী | চিত্ৰকৰ | | বেংকাৰ | নাৰ্ছ |
| | সামৰিক বিষয়া | ভূ-বিজ্ঞানী | অভিনেতা | বীমাএজেন্ট | চৰকাৰী বিষয়া | ডাক্তৰ |
| জীৱিকা | ইঞ্জিনীয়াৰ | সমাজ-বিজ্ঞানী | সংগীতজ্ঞ | মেনেজাৰ | গণিতৰ শিক্ষক | মনোৰঞ্জনকাৰী |
| | বন বিষয়া | ৰসায়নবিদ | পুৰোহিত | দোকানী | গৃহিনী | সমাজবিদ্যাৰ |
| | | | | | | শিক্ষক |
| | কাঠমিস্ত্ৰী | পদাৰ্থবিদ | কেমেৰামেন | উদ্যোগপতি | আয়কৰ বিষয়া | যুৱকল্যাণকৰ্মী |
| | বিজুলীমিস্ত্ৰী | গণিতজ্ঞ | সাহিত্যৰ শিক্ষক | ব্যৱসায়ী | খাদ্যসেৱা | ব্যৱসায়িক |
| | | | | | বিষয়া | উপদেষ্টা |
| | ঔদ্যোগীক কলা | মনোবিজ্ঞানী | কবি | | সৈনিক | |
| | শিক্ষক | বিজ্ঞানৰ | গল্প লেখক | | | |
| | | শিক্ষক | | | | |
| | | গৱেষণা | জল সম্পৰ্ক | | | |
| | | বিষয়া | ৰক্ষী | | | |
| | | | বিষয়া | | | |
| | | | সাংবাদিক | | | |

এই তালিকাখন কনছাল্টিং ছাইক'লজিষ্ট প্ৰেছ ইন ক'ৰ্পৰেটেড পাউলো অল্টো, ইউ - এছ - এৰ ১৪৩০৬ নং চিত্ৰৰ সহায় লৈ প্ৰস্তুত কৰা হৈছে।

# An Indicative List of Career Options

**Realistic Occupations**

**Plants and Animals**

Animal Breeder

Animal Trainer

Farmer

Fish Farmer

**Safety & law Enforcement**

Private Detective

Fire Fighter

Forest officer

Police officer

**Engineering**

Aeronautical Engineer

Agricultural Engineering

Architect

Biomedical Engineering

Chemical Engineering

Computer Engineer

Electrical Engineer

Electronics Engineer

Land surveyor

Machine Tools Designer

Materials Engineer

Mechanical Engineer

Naval Architect

Nuclear Engieer

**Investigative Occupations**

**Physical Sciences**

Astronomer

Chemist

Environmental Analyst

Geographer

Geologist

**Hydrologist Mathematician**

Metallurgist

Meteorologist

Oceanographer

Palentologist

Physicist.

**Life sciences**

Animal Scientist

Anthropolgist

Biochemist

Biologist

Botanist

Enformologist

Food Technologist

Geneticist

Horticulturist

Microbiologist

Plant Bruder

Pharmacologist

Plant Pathologist

Soil Scientist

Gynecologist

Neurologist

Obstetrican

Ophthalmologist

pediatrician

podiatrist

**Psychiatrist Radiologist**

Surgeon

Speech Pathoogist

Urologist

Veterinarian.

**Mathematics & Statistics**

Actuary

Computer Programme

Financial Analgist

Psepholoyst

Statistician

System Analyst.

**Social Research**

Archeologist

Anthropologist

Economist

Historian





Plant Engineer

Software Engineer

**Engineering Technology**

Air Traffic Controller

Commercial Drafter

Marine Surveyor

**Vehicle Operation**

Pilot

Sailor

**Artistic Occupations**

**Literary**

Book Editor

Critic

Playwright

Writer

**Visual Arts**

Architect

Artist

Cartoonist

Fashion Designer

Graphic Artist

Illustrator

Industrial Designer

Interior Designer

Landscape Artist

Photographer

Soil Conservationist

Zoologist

**Medical Science**

Anesthesiologist

Audiologist

Cardiologist

Dentist

Dermatologist

General Physician

**Social Occupations**

**Social Services**

Counselor

Social Worker

**Nursing Therapy**

Nurse

Physical Therapist

Physical Therapist

Radiologist

**Educational services**

Archivist

College Teacher

Librarian

School Teacher

**Sports**

Athlete

coach

Referee/ Umpire

Political Scientist

Psychologist

Sociologist

**Records Processing**

General Clerk

Proof -reader.

Stanographer

**Enterprising Occupations**

Sales

Auctioneer

Fund Raiser

Sales Engineer

Sales person

Representative

**Hospitality &Beauty**

Cosmetologist

Flight Purser

Hair Stylist

Manicurist

law

Set Designer

**Drama & Dance**
Actor/Actress
Dance

Disc Jockey
Model
Radio Anchor
Television Anchor
Theatre/Film Director
**Music**

Composer
Music Director
Singer

**Conventional Occupations**
**Administrative Detail**
Civil servant
Government Servant

office administrator

**Mathematical Detail**
Book - Keeper
Finance Detail
Bank Teller
Cashier
**Oral Communication**

Customer Services Representative
Receptionist
Telephone operator

Lawyer
Judge
**Business Management**
Banker
Management Consultant
Manager
Finance Manager,
HR Manager
IT Manager
Marketing Manager
Operations Manager

**Finance**
**Company Secretary**
**Communications**
Journalist
Promotion
Advertising Lobbyist
public Relations.

**





# WHAT CADET GETS IN NATIONAL CADET CORPS

❑ **Debraj Sarma**
Lecturer in Geography
Rangia College

National cadet corps (NCC) is one of the largest discipline youth organisation of the country. "Unity and discipline" is the Motto of NCC. With this motto training is imparted in NCC with the following aims which is recently revised to meet the needs of present day. (a) To develop qualities of character, courage, comradeship, leadership, secular out look, spirit of adventure and sportmenship and the ideals of selfless service among the youth to make them useful citizens.

(b) To create a human resource of organised trained motivated youth, to provide leadership in all walk of life including the armed forces and always available for the service of nation.

(c) To create suitable environment to motivate the youth to take up a career in the Armed Forces.

Being a discipline youth organisation NCC plays a significant role in shaping the the youth in to responsible citizen of the country.

Different trainings are imparted in NCC eg. Drill. weapon training,Adventure training like Mountaineering, trekking etc. Beside these cadets also take active part in social services like tree plantation,blood and eye donations, anti-dowry pledges, literacy drives etc.

All the above mentioned training has different values at different level, like Drill imbibes in the cadets a sense of discipline and also help to build up physical fitness, develops self confidence removes narrowness of out look.

Social service programme is to inculcate among the cadets about the social responsibility and social awareness and enable to identity social evils.

Adventure activitis helps cadet to achieve courage and strong determination.

These are the few of the important things cadet gets to learn from various camps. Most of the important trainings are imparted in camps where cadet acquire knowledge of other's culture, customs, tradition. Exposure in camp develops, among them the spirit of unity and brother hood and learns to co-operate with each other.

To name some major camps in NCC are (1) Annual Training camp (A.T.C.): The purpose of this camp is to impart training to maximum cadet and to provide them opportunity to know other and to live a different life under the tent.

(2) Basic leadership camp (B.L.C) : Aim of this camp is to build leardership quality which is held at all India level with selective cadets.

(3) Army attachment camp:- This camp gives chance to cadet to acquire the knowledge of military way of life and motivate them to join military services at different level.

(4) National Integration camp (NIC) In this camp cadet acquire knowledge of others customs, Tradition and to develop spirit of unity and oneness and co-operation with the cadets of different part of India.

Other two Major Camps are Republic Day camp and Independence Day Camp.

Republic Day camp (RDC) is the most presitigious camp. Out of 11·63 Lakhs cadets 1,700 Selected cadets from all the 16 state directorate of country get chance to participate in this highest NCC camp. This camp is held from 5th Jan to 29th January every year at Garrison parade ground. Cadet get a great exposure in this camp. Beside meeting fellow cadets from all over India and guest cadet from abroad, they get chance to meet and visit the Residence of the President of India, Prime Minister Defence Minister, Chief of Army, Navy and Air Force.

Vice-president of India inagurates the camp. From 1700 cadet 440 are selected for Marching at the Rajpath in the Republic Day parade. On 27th January Prime Minister rally is held where different section of cadets Army, Navy and Air Wing display varieties of NCC activitis in a glittering parade before the Prime Minister. In this function, Prime Minister presents the coveted NCC banner to the best NCC directorate.

"" Youth Exchange programmes" (YEP) provides International exposure for cadets and also for NCC officer (ANO) to those country having similar program. U.K. Canada, Singapore, Bangladesh, Nepal, Sri Lanka are the countries where cadet gets opportunity to visit and know about the people and places.

**Incentives to NCC cadets in central Government Services:**

Commission in the Armed Forces as officer.

**ARMY :**

32 vacancies in every regular course of Indian Military Academy (IMA) for National cadet corps 'C' certificate holders.

**NAVY :**

6 Vacancies per course for grant of commission in the Navy are reserved for selection of NCC cadets as special entry cadets, provided they are in possession of 'C' certificate of Naval wing and are declared fit by the naval Selection Board.

**AIR FORCE :**

10 Vacancies are reserved for air wing 'C' certificate holders percourse. Two courses are held every year.

Beside all these Recruitment in the three services weightage of additional marks is given to NCC certificate holders.

Civil department like Telecommunications also gives the weightage of additional mark and preference for the certificate holder cadet.





**National cadet corps the premier youth organisation of the country, offers to the student:**

(1) Opportunity for personality development.
(2) Incentives to achieve academic excellence.
(3) Opportunity to perticipate in adventure activities.
(4) Opportunity to travel abroad.
(5) No military service liability.
(6) Easy terms to enter the Armed Forces, Military Nursing Service and other Para Military Forces.

NCC may not have much material gain, but it helps cadet to gain physical and mental strenght in the right way.

***

# আমাৰ উচুপনি

◻ ওছমান গনী
জ্যেষ্ঠ অধ্যাপক, ৰঙিয়া মহাবিদ্যালয়

কলেজীয়া বোজা
কান্ধপাতি লৈ
দহ বজাৰ পৰা গধূলিলৈ
কেতিয়াবা নিশালৈ
আমি সকলে কাম কৰোঁ।
টাইপ মেচিন, ৰেকৰ্ডৰ ফাইল
চাৰ, বাইদেউ, ছাত্ৰ-ছাত্ৰীৰ নথি-পত্ৰ
ৰখাই হ'ল আমাৰ জীৱন-যন্ত্ৰ।
হাঁহি হাঁহি কাম কৰোঁ,
দুখ ভাগৰো পাহৰো.
মনত পৰিলে চেনেহীলৈ
স্মৃতিকে সোঁৱৰো।
ঘৰত আছে আমাৰো এখনিকৈ সৰু সংসাৰ
তাকে ভাবি কেতিয়াবা উঠে জ্বৰ।
হায় ! কি কম ভাই আমাৰ বিলাই
কলেজত জানোঁ সকলোৱে U.G.C. পায় ?
P.G. Bank, Apex Bank,
Thrift and Credit Society
সকলোতে হৈ পৰিছোঁ আমি
মহা মহা ধাৰেশ্বৰ,
দৰমহাই নকৰে মাহটো পাৰ।
কলেজৰ Plan, Non-Plan ৰ কথা
Sanctioned, Non-Sanctioned ৰ লেঠা
তাতো আমি মাৰিব লাগে মাথা।

আজি আমাৰ মনত পৰিছে
সতীৰ্থ আকলুদা বেমাৰত ভুগিছে।
সি অৱসৰ গ্ৰহণ কৰিলে
কিন্তু পেনচন্ নাই, নেপালে।
তাৰ দৰে দুৰ্ভগীয়া কোন ?
এবাৰ বেমাৰী দেহটোলৈ চাওঁক চোন।
তথাপি আমি কাম কৰি যাম......!
আমি আশাধাৰী আশীষ বিচাৰি
প্ৰশ্ন কৰিছোঁ........
কোনে শুনিব আমাৰ হিয়াৰ বিননি
মৰম বৰষাই জীপাল কৰিব দেহমনি ?
পেন্চন, প্ৰাদেশীকৰণ
সঁচাই নে অৰণ্য ৰোদন ?
নে দিছপুৰৰ মুখৰ ধ্বনি ?
এইবোৰে আমাৰ উচুপনি। ◻





# ভক্তি ৰস

◻ শ্ৰীজ্যোতিষ চন্দ্ৰ ডাউকা
ৰঙিয়া মহাবিদ্যালয়

ৰিণিকি ৰিণিকি আজি কিহৰ ধ্বনি
শুনিবলৈ পাওঁ-
শঙ্কৰ মাধৱৰ স্মৃতি-চিহ্ন
আজি গোটেই পৃথিৱীতে আলোকিত
হোৱাৰ উমান পোৱা গৈছে ।।
বৈষ্ণৱ কবিৰ সাৰ্থকতা -
আজি পৃথিৱীৰ বুকুত জিলিকি আছে,
যি নাম ধ্বনিৰ অন্ত নাই
ই সদায় ভক্ত সকলৰ মাজত
চৌৰ খলকনি তুলি থাকিব।।
ভক্ত সকলৰ হৃদয়ত ভক্তি ৰসৰ
তোলপাৰ লগাইছে-
ই যেন যুগে যুগে আলোকিত হৈ ৰয়।।
বৰপেটা সত্ৰত কিহৰ অভিষেক
সত্ৰাধিকাৰৰ দায়িত্বৰ চানেকী।। ◻◻



# অনুৰ্ব্বৰা

◻ কিৰণ কলিতা ঠাকুৰীয়া
টিহু মহাবিদ্যালয়, টিহু

ভ্ৰান্তি আৰু দুৰ্বলতাৰ
দেৱাল ভাঙিব খোজা
এমুঠি মৰম
জোনৰ স্নিগ্ধতাত
মেঘৰ নদীত ডিঙৱা চাপিল,
বিশাল আকাশখন মাথোঁ
তিমিৰাচ্ছন্ন।
পুৱাৰ পোহৰৰ পুলক বগোৱাৰ
প্ৰীতি-স্মৃতি
মোৰ বাবে এয়া
বিভীষিকা-
ৰৈ আছে স্তব্ধ আলোকত
বাসনাৰ জুই
অবিকৃত হয় অস্তিত্ব মাথোঁ.....
ভালপোৱাৰ প্ৰতিটি মূহুৰ্ত
এক নিদ্ৰাৰ প্ৰলেপ
সেয়া স্মৃতি-
প্ৰাণ পিপাসাৰ তৃষ্ণাই শান্তি
উন্মনা মনৰ গোপন স্বপ্নৰ
নিবিড় যাতনা,
শতাব্দীৰ সঞ্চিত বেদনাৰ
গলিত লাভা আৰু ছাঁইৰে
নিকা হওঁক তোমাৰ সত্তা। ◻◻

# প্ৰাচীৰ

❑ শৰৎ চন্দ্ৰ দাস
দমদমা কলেজ

ভাঙ ভাঙ প্ৰাচীৰ ভাঙ
নিৰক্ষৰতাৰ প্ৰাচীৰ ভাঙ
গঢ় গঢ় সমাজ গঢ়
বিজ্ঞানসন্মত শিক্ষা ব্যৱস্থা গঢ়
ভাঙ ভাঙ মত্ত জ্ঞানহীন
অল্পবিদ্যা অহংকাৰী
ব্যক্তিত্বৰ অহংকাৰ ভাঙ
গঢ় গঢ় সুস্থসমাজ ব্যৱস্থা গঢ়
জ্ঞানবান আদৰ্শবান ব্যক্তিত্বক
পূজা অৰ্চনা কৰা ব্যৱস্থা গঢ়
ভাঙ ভাঙ আদৰ্শহীন ৰাজনৈতিক
মতামত ভাঙ
ভাঙ ভাঙ অশুদ্ধ গণতন্ত্ৰ ভাঙ
সচাঁক মিছা কৰা গণতন্ত্ৰ ভাঙ
ভাঙ ভাঙ সদৌ শোষত
আদৰ্শহীন নেতৃত্ব ভাঙ।





# পৰিবেশ, স্বাস্থ্য আৰু সতৰ্কতা

❑ ডঃ হিতেশ বৰ্মন
জ্যেষ্ঠ প্ৰৱক্তা, ৰসায়ন বিজ্ঞান বিভাগ,
ৰঙিয়া মহাবিদ্যালয়

পৰিবেশ বুলিলে সামাজিক, অৰ্থনৈতিক, জৈৱিক, বা ৰাসায়নিক কাৰক সমূহৰে গঠিত বিভিন্ন উপাদানেৰে মানুহক চাৰিওফালে আগুৰি থকা অৱস্থাটোকে বুজায়। "Environment is the sum of all social, economical, biological or chemical factors which constitute the surroundings of man.

এই লিখনিত মূখ্যত ভৌতিক পৰিবেশৰ লগত মানুহৰ স্বাস্থ্যৰ বিষয়ে আলোকপাত কৰা হৈছে।ভৌতিক পৰিবেশ বুলিলে আমি পৃথিৱীৰ পানী, বায়ু,মাটি আৰু সিহঁতৰ মাজৰ ক্ৰিয়াকেই বুজো। ভৌতিক পৰিবেশৰ উপাদান সমূহৰ ভাৰসাম্যৰ অকনমানো তাৰতম্য হ'লে মানুহৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া হয় আৰু আমি পৰিবেশ প্ৰদূষণ হোৱা বুলি কওঁ। জীৱৰ স্থিতি, গঠন, বংশবৃদ্ধি, জীৱন - প্ৰনালী ইত্যাদি নিৰ্ভৰ কৰে এই তিনিটা উপাদানৰ ওপৰত।

ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল বা অনুন্নত দেশৰ মানুহৰ ভগ্ন স্বাস্থ্যৰ মূল কাৰণ হ'ল ত্ৰুতিপূৰ্ণ ভৌতিক পৰিবেশ। যিহেতু ভাৰতবৰ্ষৰ বেছি সংখ্যক লোকেই গ্ৰাম্যাঞ্চলত বাস কৰে সেয়েহে গ্ৰাম্য স্বাস্থ্য সম্বন্ধীয় সমস্যাসমূহ দূৰ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণকৰাটো আমাৰ সকলোৰে কৰ্ত্তব্য।

**স্বাস্থ্য সম্বন্ধীয় পৰিবেশৰ ওপৰত পানীৰ প্ৰভাৱ ঃ**

খোৱাপানীত থকা সম্ভাব্য প্ৰদূষকবোৰ হ'ল- বীজানু বা বিষাক্ত পদাৰ্থ, অক্সিজেন হ্ৰাস কৰা পদাৰ্থ, জৈৱিক পদাৰ্থ, খনিজ পদাৰ্থ আৰু অন্যান্য ৰাসায়নিক পদাৰ্থ, ওপঙা পদাৰ্থ, তেজস্ক্ৰিয় পদাৰ্থ ইত্যাদি। খোৱা পানীত থকা বহুতো বেমাৰৰ বীজানু (বেক্টেৰীয়া, ভাইৰাচ বা অন্য অনুজীৱ) ৰ পৰাই প্ৰত্যক্ষ ভাবে কলেৰা, টাইফয়ড জ্বৰ, পেৰাটাইফয়ড জ্বৰ, ডায়েৰীয়া আৰু তেনেধৰণৰ পেটৰ অসুখ, এমিবিক ডিছেন্ট্ৰী আৰু জিয়াৰ ডিয়া সোঁচৰা হেপাটাইটিছ (জণ্ডিছ), শ্বিষ্টচ'মিয়াছিছ আদি বেমাৰ হয়, আনহাতে পানীয়ে পৰোক্ষভাবে কিছুমান বেমাৰৰ বীজাণু যেনে মেলেৰীয়া, পীতজ্বৰ, ডেংগুজ্বৰ, এন্‌কেফেলাইটিছ, ফিলোৰিয়া আদি কঢ়িয়াই নিয়া এজেন্টবোৰৰ (যেনে ঃ মহ, মাখি আদি) বাহক হিচাবে কাম কৰে। মানুহৰ মলমূত্ৰৰ দ্বাৰাই প্ৰদুষিত নলা নৰ্দমাৰ লেতেৰা পানীৰ পৰাই প্ৰধানকৈ এই ৰোগ সমূহ বিয়পে। খোৱা পানীৰ উৎসত এই লেতেৰা পানীৰ প্ৰবেশ ঘটিলে অথবা লেতেৰা পানীত থকা মাছ-কাছ খোৱাৰ জৰিয়তে অথবা লেতেৰা পানীৰে ধোৱা শাক-পাচলিৰ যোগেদি বীজাণুবোৰ আমাৰ শৰীৰত প্ৰবেশ কৰে। সেয়েহে খোৱা-পানীৰ উৎসত যাতে এনে বীজাণুযুক্ত পানীৰ প্ৰবেশ ঘটিব নোৱাৰে তাৰ বাবে সতৰ্ক হ'ব লাগে। পৰাপক্ষত পানী উতলাই বীজাণুমুক্ত কৰি খোৱাটো স্বাস্থ্যৰ বাবে অনুকুল। উদ্যোগ আদিৰ পৰা নিৰ্গত কিছুমান বিষাক্ত পদাৰ্থ যেনে- চায়েনাইড, আৰ্ছেনিক, নাইট্ৰেট, সীহ, মাৰ্কাৰী, কেডমিয়াম, ক্ল'ৰ'হাইড্ৰ'কাৰ্বন, হাৰ্বিচাইড, পেষ্টিচাইড আৰু বিভিন্ন ৰাসায়নিক সাৰ আদি খোৱা পানীৰ জৰিয়তে অথবা প্ৰদুষিত পানীৰ মাছ-কাছ আদি খোৱাৰ জৰিয়তে শৰীৰত প্ৰবেশ কৰিলে মৃত্যু মুখত পৰিব পাৰে।

**পানীৰ তিনিটা প্ৰধান উৎস হ'ল ঃ**

ক) বৰষুণ খ) পৃষ্ঠ পানী( যেনে-জলধাৰ, নদী, জান, নিজৰা, পুখুৰী, হ্ৰদ) গ) ভূ-গৰ্ভস্থ পানী (যেনে-অগভীৰ নলী-নাদ, গভীৰ নলী-নাদ, ঝৰণা আদি)।

বৰষুণৰ পানী প্ৰাকৃতিক বিশুদ্ধ পানী হিচাবে গণ্য কৰা যায় যদিও বায়ুমণ্ডলৰ মাজেৰে যাওঁতে কিছুমান ওপঙি থকা অশুদ্ধি যেনে ধূলিকণা, ধোঁৱা, ক্ষুদ্ৰাতিক্ষুদ্ৰ জৈৱিক কণা আৰু কিছুমান গেছ যেনে কাৰ্বন-ডাই অক্সাইড, নাইট্ৰ'জেন, এমোনিয়া, ছালফাৰ ডাই-অক্সাইড নাইট্ৰিক অক্সাইড ইত্যাদিৰ সংস্পৰ্শত বৰষুণ পানী অশুদ্ধি হৈ পৰে, আকৌ বৰষুণৰ পানী অতি কোমল হোৱা বাবে লেড পাইপ আদি ক্ষয়ীকৰণ কৰাত সহায় কৰে। পৃষ্ঠ পানীত সাধাৰনতে জৈৱিক, বেক্টেৰিয়া আৰু ভাইৰাচ জনিত প্ৰদূষণৰ সম্ভাৱনীয়তা বেছি। জলাধাৰৰ পানীত ওখ পৃষ্ঠৰ বসতিপূৰ্ণ মানব, জীৱজন্তু আদিৰ পৰা নিৰ্গত অশুদ্ধি সমূহৰ প্ৰবেশ ঘটে। নদীৰ পানী প্ৰদূষণ হোৱাৰ মূলতে পৃষ্ঠৰ আৰ্বজনা ধোঁৱা পানী, উদ্যোগ আদিৰ পৰা নিৰ্গত অশুদ্ধি পানীৰ লগতে আৰ্বজনা সমূহ কৃষি ক্ষেত্ৰত প্ৰয়োগ কৰা সাৰ ইত্যাদি। পুখুৰীৰ পানী সাধাৰনতে কলয়ডীয় হয়। এই পানীত কাপোৰ ধোৱা, গাড়ী মটৰ ধোৱা, গৰু-মহ ধোৱা, মানুহ সাতোৰা আদি কাৰ্য্য সংঘটিত হোৱা বাবে ই খোৱাৰ অনুপযোগী হয়।

গুণগত মানদণ্ডৰ ক্ষেত্ৰত ভূ-গৰ্ভস্থ পানী, পৃষ্ঠ পানীতকৈ কিছু উন্নত কাৰণ বৰষুণৰ পানী বা পৃষ্ঠপানী ভূ-মণ্ডলৰ মাজেৰে যাওঁতে কিছু পৰিমানে পৰিশ্ৰুত হৈ যায়। ভূ-গৰ্ভস্থ পানীৰ এটা ডাঙৰ সুবিধা হ'ল ই পেথ'জেনিক কাৰক সমূহৰ পৰা বহুপৰিমানে মুক্ত। কিন্তু অসুবিধাটো হ'ল ইয়াত ধাতবীয় পদাৰ্থ (mineral), কেলছিয়াম, মেগ্‌নেছিয়াম আদি লৱণৰ পৰিমান অধিক, ফলস্বৰূপেপানীখিনি গধুৰ হয়। ভূ-গৰ্ভস্থ পানীৰ সাধাৰন উৎস হ'ল নলীনাদ আৰু ঝৰ্ণা। নলী-নাদ সমূহক আকৌ অগভীৰ, গভীৰ, টিউব্‌ওৱেল আদিত বিভক্ত কৰা হয়। অগভীৰ নলী-নাদৰ পানী প্ৰদূষণৰ মাত্ৰাটো সৰ্বাধিক। কেঁচা শৌচাগাৰ, প্ৰস্ৰাৱগাৰ, নলা-নৰ্দমাৰ লেতেৰা পানী, মাটিৰ মাজেৰে সৰকি গৈ অগভীৰ নলী-নাদৰ পানী স্তৰত প্ৰৱেশ ঘটে, গতিকে অগভীৰ নলী-নাদৰ পানী দেখিবলৈ ফট্‌ফটিয়া হ'লেও স্বাস্থ্যজনিত কাৰণত গ্ৰহণ যোগ্য নহয়। আনহাতে অতি গভীৰ নলী-নাদৰ পানীত আকৌ ধাতব পদাৰ্থৰ পৰিমান বেছি হোৱা হেতুকে ইও স্বাস্থ্যৰ বাবে অনুকুল নহয়। ভাৰতবৰ্ষৰ বেছি ভাগ অংশতে টিউবওৱেলৰ পানীয়েই খোৱা-পানীৰ উৎস হিচাবে ব্যৱহাৰিত হোৱাত কৃতকাৰ্য্য হৈছে। বেক্টেৰীয়াজনিত প্ৰদূষণৰ ক্ষেত্ৰত টিউবওৱেলৰ পানী অন্য উৎসৰ পানীৰ তুলনাত বহু পৰিমানে মুক্ত বুলিব পাৰি। ব্ৰৰষুণ প্ৰধান অঞ্চল অসমৰ কাৰণে অন্যান্য উৎসৰ পানীতকৈ টিউবওৱেলৰ পানীয়েই গ্ৰহণযোগ্য যদিও এই পানীত লোৰ পৰিমাণ কমোৱাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বনৰ কাৰণে ভূ-গৰ্ভস্থ পানীখিনি টিউবওৱেলৰ দ্বাৰা নিস্কাষণ কৰাৰ পিচত বায়ুৰ সংস্পৰ্শত ৰাখি পানীত দ্ৰৱীভূত হৈ থকা লো ($Fe^{2+}$) ক অদ্ৰৱীভূত অৱস্থা ($Fe^{3+}$) লৈ অধঃ ক্ষেপিত কৰি পিচত পানীখিনি চেকি লৈ খোৱা কামত ব্যৱহাৰ কৰিব লাগে।

**পানী উৎসৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত লবলগীয়া কিছুমান সৰ্তকতা হ'ল ঃ**

(ক) উৎসৰ অৱস্থান ঃ- নলী-নাদৰ পানী বেক্টৰীয়াজনিত প্ৰদূষণৰ পৰা মুক্ত হ'বলৈ পানী উৎস ওখ স্থানত আৰু প্ৰদূষিত উৎসৰ পৰা কমেও ৫০ ফুট দূৰত্বত বহুৱাব লাগে।

(খ) লাইনিং ঃ- নলী-নাদৰ চাৰিওফালে ২০ ফুট গভীৰতালৈ বিলাতী মাটিৰ সৈতে ইটা বা শিলৰ এক লাইনিং দিব লাগে যাতে পানী নলী-নাদৰ কাষেৰে নিঃসৰিত নহৈ তলফালৰ পৰাহে ওলাই আহে।

যধে-মধে অবৈজ্ঞানিক ভাৱে পৰিত্যক্ত গোটা আৱৰ্জনা সমূহ পিতনিত পেলাই থলে তাৰ পৰা সৃষ্টি হোৱা





নিস্কালিত পদাৰ্থ (leachate) সমূহ মাটিৰ মাজেৰে গৈ ভূ-গৰ্ভস্থ জল-প্ৰদূষণ কৰে। নিস্কালিত পদাৰ্থৰ দ্বাৰা ভূ-গৰ্ভস্থ জল-প্ৰদূষণ হ্ৰাস কৰিবলৈ আৱৰ্জনাৰ দ'মৰ তলিত ক্লে (clay) বা জিওচিন্থেটিকচ্ (zeosynthetics) ৰ তৰপ দিব লাগে।

(গ) পেৰাপেট ওৱালঃ- নলী-নাদৰ পৃষ্ঠ সমতলৰ পৰা ২৮ ইঞ্চি উচ্চতালৈ এখন পেৰাপেট ওৱাল বনাব লাগে।

(ঘ) প্লেটফৰ্মঃ- চিমেন্ট- কংক্ৰীতেৰে ঘূৰণীয়াকৈ এক মিটাৰ দূৰত্বলৈ সামান্যভাৱে নলাৰ ফালে হেলনীয়াকৈ এখন প্লেটফৰ্ম বনাব লাগে।

(ঙ) নলা (Drain) ঃ- নলাটো পকা কৰি ৰাজহুৱা নলাৰ লগত সংযোগ কৰাব লাগে।

(চ) আবৰণ (covering) ঃ- ওপৰৰ পৰা প্ৰদূষণৰোধ কৰিবলৈ নলী-নাদৰ ওপৰ অংশত চিমেন্ট-কংক্ৰীতৰ এখন আবৰণ দিব লাগে।

(ছ) হেণ্ডপাম্পঃ- ভূ-গৰ্ভস্থ পানী ওপৰলৈ উলিয়াবলৈ হেণ্ডপাম্প লগাব লাগে।

(জ) উপভোক্তাৰ দায়িত্ব (consumer responsibility) ঃ-আটাইতকৈ প্ৰয়োজনীয় কথাটো হ'ল উপভোক্তাৰ দায়িত্ব। চেনিটাৰী নলী-নাদে পানীৰ পৰা উদ্ভৱ হোৱা বেমাৰৰ স্বাধীনতাৰ পৰা মুক্ত হ'ব নোৱাৰে যদিহে উপভোক্তাই পৰিস্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি সজাগ নহয়। পানী উৎসৰ ওচৰতে কাপোৰ, বাচন-বৰ্ত্তন আদি ধোৱা, আৱৰ্জনা পেলোৱা আদি কাৰ্য্য বন্ধ কৰিব লাগে।

**স্বাস্থ্য সম্বন্ধীয় পৰিবেশৰ ওপৰত বায়ুৰ প্ৰভাৱ ঃ**

বায়ুৰ যিহেতু সীমা নাই গতিকে এঠাইত বায়ু প্ৰদূষণ হ'লে তাৰ কু-প্ৰভাৱ আন ঠাইলৈও সম্প্ৰসাৰিত হ'ব পাৰে। সেয়েহে বায়ু প্ৰদূষণ এক আন্তঃৰাষ্ট্ৰীয় সমস্যা।

প্ৰধানত ৫ টা মূখ্য বায়ু প্ৰদূষক হ'ল- (ক) কাৰ্বন মন'ক্সাইড (খ) নাইট্ৰ'জেনৰ অক্সাইড সমূহ (গ) ছালফাৰ ডাই-অক্সাইড (ঘ) ওপঙি থকা কণা (SPM)

(ঙ) অ'জন।

কাৰ্বন মন'ক্সাইড বৰ বিষাক্ত গেছ। ইন্ধন, চিগাৰেট আদিৰ দহনত কাৰ্বন মন'ক্সাইডৰ সৃষ্টি হয়। আমাৰ দেহৰ ভিতৰত হৈ থকা মৃদৃ দহনতো (metabolism) যথেষ্ট কাৰ্বন মন'ক্সাইড উৎপন্ন হয়। জিৰনি লৈ থকা এজন ব্যক্তিৰ নিশাহত প্ৰায় এক পি: পি: এম কাৰ্বন মন'ক্সাইড থাকে। সেয়েহে বহু মানুহ একে লগে থকা বন্ধ কোঠালীত কাৰ্বন মন'ক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে ই স্বাস্থ্যৰ ক্ষতি কৰে। আমাৰ দেহত থকা হিম'গ্লবিনৰ প্ৰতি কাৰ্বন মন'ক্সাইডৰ আসক্তি অতি বেছি। হিম'গ্লবিনে বায়ুত থকা অক্সিজেনৰ অনুবোৰ ধৰি লৈ শৰীৰৰ সকলোবোৰ কোষলৈ যোগন ধৰে। কিন্তু অক্সিজেনতকৈ কাৰ্বন মন'স্কাইডৰ প্ৰবেশ ঘটিলে ই তৎক্ষনাত হিম'গ্লবিনৰ লগত বান্ধ খাইপৰে ফলত শৰীৰৰ কোষবোৰলৈ অক্সিজেনৰ যোগান হ্ৰাস পায় আৰু গুৰুতৰ সংকটৰ সন্মুখীন হ'ব লগীয়া হয়। কাৰ্বন মন'ক্সাইড আৰু হিম'গ্লবিন (CoHb) নামে যৌগ গঠন কৰে আৰু তেজত ইয়াৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে কিছুমান বিপদ যেনে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ আক্ৰান্ত, হৃৎপিণ্ড আৰু হাওঁ-ফাওঁ আক্ৰান্ত, মূৰ কামোৰণি, অৱসাদ, অচেতন অবস্থা, শ্বাস-প্ৰশ্বাসত অসুবিধা তথা মৃত্যু হয়। পেট্ৰ'লৰ অসম্পূৰ্ণ দহনৰ ফলত ওলোৱা কাৰ্বন মন'ক্সাইডৰ পৰিমাণ কমাবৰ কাৰণে আজিকালি কেটালাইটিক কনভাৰ্টাৰ প্ৰতিখন পেট্ৰ'লচালিত গাড়ীত সংযুক্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাক আমি Uro-I, II নৰ্মচ্‌ৰ গাড়ী বুলি কওঁ। কেটালাইটিক কনভাৰ্টাৰে পেট্ৰ'লৰ অসম্পূৰ্ণ দহনৰ ফলত ওলোৱা কাৰ্বন মন'ক্সাইড খিনি অক্সিজেনৰ লগত বিক্ৰিয়া ঘটাই অবিষাক্ত কাৰ্বন ডাইঅক্সাইডলৈ ৰূপান্তৰিত কৰি

পৰিবেশ প্ৰদূষণ ৰোধ হোৱাত সহায় কৰে। নাইট্ৰজেনৰ ছটা অক্সাইডৰ ভিতৰত বায়ু প্ৰদূষণৰ ক্ষেত্ৰত অৱশ্যে
গুৰুত্বপূৰ্ণ হ'ল নাইট্ৰিক অক্সাইড দুটা যথেষ্ট পৰিমাণে থাকে। নাইট্ৰিক অক্সাইডেও কাৰ্বন মন'ক্সাইডৰ দৰে হিম'গ্লবিনৰ
লগত সংযুক্ত হৈ তেজৰ অক্সিজেন কঢ়িওৱা ক্ষমতা হ্ৰাস কৰে যদিও বায়ুমণ্ডলত ইয়াৰ পৰিমাণ নিচেই কম বাবে ই
মাৰাত্মক বিপদৰ সৃষ্টি কৰিব নোৱাৰে। নাইট্ৰ'জেন অক্সাইডে হাওঁ-ফাওঁত প্ৰভাৱ পেলাই শ্বাস-প্ৰশ্বাসৰ লগত জড়িত
বিভিন্ন অসুবিধাৰ সৃষ্টি কৰে। নাইট্ৰ'জেন অক্সাইডৰ আটাইতকৈ ডাঙৰ কু-প্ৰভাৱটো হ'ল স্মগ (smog) গঠন। মটৰ
গাড়ীৰ ধোঁৱাত থকা নাইট্ৰ'জেন অক্সাইডবোৰ আৰু দহন নোহোৱাকৈ নিৰ্গত হোৱা হাইড্ৰ'কাৰ্বনবোৰে সূৰ্য্যৰ পোহৰত
লগ হৈ স্মগ গঠন কৰে। স্মগত অ'জন আৰু (PAN Peroxy Acyl Nitrates) থাকে। এইবিলাক মানুহ, জীৱজন্তু,গছ-
গছনি আটাইৰে বাবে অতি অপকাৰী। ইহঁত মানুহৰ ক্ষেত্ৰত কাহ, শ্বাস ঘূৰাব নোৱাৰা, মূৰ কামোৰণি, হাওঁফাওঁৰ
ক্ষতিসাধন, ৰঙা ৰক্ত কণিকা ধ্বংস, চকু, নাক, ডিঙিত কু-প্ৰভাৱ পেলায়। স্মগত থকা অ'জন আৰু pan যৌগবোৰ
উদ্ভিদৰ দেহত প্ৰবেশ কৰিলে উদ্ভিৰ বৃদ্ধি আৰু ফলৰ উৎপন্ন হ্ৰাস পায় আৰু পৰিমাণ বেছি হলে গছ-গছনি মৰিও
যাব পাৰে। নাইট্ৰ'জেন ডাইঅক্সাইড পানীত সহজে দ্ৰৱীভূত হয় আৰু পানীৰ লগত ই নাইট্ৰাচ আৰু নাইট্ৰিক
এছিডৰ সৃষ্টি কৰে। এইদৰে নাইট্ৰ'জেন ডাইঅক্সাইডে বৰষুণৰ লগত অম্লবৃষ্টিৰ সৃষ্টি কৰি পৰিবেশ প্ৰদূষিত কৰে।

ছালফাৰৰ ৬ টা অক্সাইডৰ ভিতৰত বায়ু প্ৰদূষণৰ ক্ষেত্ৰত ছালফাৰ ডাইঅক্সাইড আৰু ট্ৰাই অক্সাইডৰ ভূমিকা
মূখ্য। বায়ুমণ্ডলত থকা ছালফাৰ ডাইঅক্সাইড আৰু ট্ৰাইঅক্সাইডে জলীয় বাস্পৰ লগ-লাগি ছালফিউৰাচ এছিড
($H_2So_3$) আৰু ছালফিউৰিক এছিড ($H_2So_4$) উৎপন্ন কৰে। অতিশয় ক্ষয়কাৰী এই এছিডবোৰে বৰষুণৰ লগ-
লাগি অম্ল বৃষ্টিৰ দ্বাৰাই পৃথিৱীৰলৈ আহি পৃথিৱীৰ মাটি আৰু পানীৰ বিস্তৰ ক্ষতি সাধন কৰে। তেলশোধানাগাৰ বা
অন্যান্য উদ্যোগত যথেষ্ট পৰিমাণৰ ছালফাৰ ডাই অক্সাইডত নিৰ্গত হয়। ছালফাৰ ডাই অক্সাইডৰ পৰিমাণ কমোৱা
একমাত্ৰ উপায় হ'ল কম ছালফাৰ যুক্ত ইন্ধনৰ ব্যৱহাৰ কৰিব লাগে।

বায়ুমণ্ডলত ওপঙি থকা কণা প্ৰদূষণবোৰ যিমানেই ক্ষুদ্ৰ হয় সিমানেই সিহঁত আমাৰ বাবে বেছি বিপদজনক
কাৰণ অতি ক্ষুদ্ৰ কণাবোৰ নাকৰ ভিতৰৰ বিভিন্ন বাধা নেওঁচি আমাৰ হাওঁফাওঁ পায়গৈ আৰু নানা অসুবিধা ঘটায়।
কণাবিলাকত নাইট্ৰেট, ছালফেট, লো, সীহ, মেংগানিজ, জিংক, ভেনেদ্ৰিয়াম আদি অজৈৱিক পদাৰ্থ, ফিনল, এলকহল
আদি জৈৱিক পদাৰ্থ থাকিব পাৰে। এই কণিকা বোৰৰ ভিতৰত আটাইতকৈ বিপদজনক হ'ল সীহযুক্ত কণিকাবোৰ।
সীহযুক্ত পেট্ৰ'ল ব্যৱহাৰ কৰা গাড়ীৰ ধোৱাঁই আমাৰ দেহত তেজৰ গঠন প্ৰক্ৰিয়া স্নায়ুতন্ত্ৰ, বৃক্কতন্ত্ৰ, জনন তন্ত্ৰ,
অন্তঃক্ষৰণ-তন্ত্ৰ, যকৃৎতন্ত্ৰ, হৃৎসংবহনী তন্ত্ৰ, প্ৰতিৰক্ষা তন্ত্ৰ আৰু আন্ত্ৰিক তন্ত্ৰ আদিৰ ক্ষতিগ্ৰস্ত কৰে। ওপঙি থকা
কণা প্ৰদূষকবোৰৰ পৰিমান গড় হিচাপে ৭৫ মাইক্ৰ'গ্ৰাম প্ৰতি ঘনমিটাৰতকৈ বেছি হব নালাগে। কণা প্ৰদূষণ নিয়ন্ত্ৰণ
কৰাৰ বাবে উৎসতে ইলেট্ৰষ্টেটিক প্ৰেচিপিটেটৰ (electrostatic precipitator), ফেব্ৰিক ফিকাৰ, ৱেট-সক্ৰোবাৰ
(wet scrubber) আদি ৰৱৰহাৰ কৰা হয়।

নগৰ মহানগৰৰ ভিতৰুৱা অঞ্চলত য'ত যানবাহনৰ চলাচল যথেষ্ট বেছি আৰু ট্ৰেফিকজামৰ বাবে তাত
অ'জন গেছ উৎপন্ন হয়। এইগেছে চকুৰ অনিষ্ট কৰে আৰু গছ-গছনিৰ বৃদ্ধিত কু-প্ৰভাৱ পেলায়।

নিৰাপদ বায়ু আৰু পানীৰ সংকটেই অনুন্নত দেশসমূহৰ মানুহৰ ভগ্ন স্বাস্থ্যৰ মূল কাৰণ হোৱা হেতুকে আমি
আটায়ে প্ৰদূষণ মুক্ত পৰিবেশ সৃষ্টিত সচেতন হোৱাটো অত্যন্ত দৰকাৰ। □□





# গ্ৰন্থাগাৰ আৰু ইয়াৰ বিদ্যায়তনিক ভূমিকা

□ শ্ৰীবীৰেন্দ্ৰনাথ শৰ্মা
গ্ৰন্থাগাৰিক, ৰঙিয়া মহাবিদ্যালয়

গ্ৰন্থাগাৰিক তথ্য আৰু প্ৰযুক্তি বিজ্ঞানৰ চৰম উন্নতি আৰু প্ৰসাৰৰ যুগত গ্ৰন্থাগাৰৰ বিদ্যায়তনিক ভূমিকা সম্পৰ্কে শিক্ষিত সমাজক নতুনকৈ চিনাকী কৰি দিয়াৰ বিশেষ আৱশ্যক নাই। গ্ৰন্থাগাৰৰ যদি বিদ্যায়তনিক ভূমিকাই নাথাকে তেনেহ'লে বিশ্ববিদ্যালয়ৰ উচ্চ- শিক্ষা চৰ্চাৰ ভূমিকাই নথকাৰ দৰে হ'ব। সমাজৰ বিদ্যায়তনিক দিশটো টনকিয়াল কৰি তুলিব পাৰিলে গ্ৰন্থাগাৰৰ গুৰুত্ব বাঢ়িব। সমাজত গ্ৰন্থাগাৰ গঢ়ি তোলাৰ উদ্দেশ্য ফলবতি হ'ব।

বিখ্যাত সমাজ বিজ্ঞানী, ভাৰতবৰ্ষত গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ স্বৰূপ ৰঙ্গনাথনৰ মতে গ্ৰন্থাগাৰ হ'ল এটা বৰ্দ্ধনশীল সংস্থা। সমাজৰ উন্নতিৰ লগে লগে গ্ৰন্থাগাৰৰ উন্নতিও হৈ থাকিব। প্ৰতি দিনে লক্ষ লক্ষ কিতাপ প্ৰকাশিত হৈ আছে, গ্ৰন্থাগাৰসমূহ এই প্ৰকাশন সমূহৰ দ্বাৰাই উন্নত হৈ আছে। শিক্ষিত মানুহৰ সংখ্যাও বৃদ্ধি হৈ আছে। বৰ্তমান অৱস্থাত স্কুল কলেজীয়া ছাত্ৰ-ছাত্ৰী সকলে দৰ্শনত বেছিকৈ মনোযোগ দিলেও মননশীল গ্ৰন্থৰ আদৰকমা নাই। গ্ৰন্থমেলাৰ সংখ্যা বৃদ্ধি বা আয়োজন কৰা সংস্থাৰ আগ্ৰহ বৃদ্ধি, কিতাপ বিক্ৰীৰ পৰিসংখ্যা আদিলৈ লক্ষ্য কৰিলে দেখা যায় যে পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিৰ লগে লগে কিতাপ ব্যৱসায় বৃদ্ধি হৈছে। কিতাপ প্ৰকাশৰ আগ্ৰহ বৃদ্ধি হ'লে সমাজৰ বৌদ্ধিক চিন্তা চৰ্চাৰ উন্নতিৰ লগে লগে সমাজৰ আৰ্থ সামাজিক অৱস্থাৰ কিছু উন্নতি হ'ব বুলি আশা কৰিব পাৰি।

জ্ঞান আৰু শিক্ষা-বিস্তাৰত গ্ৰন্থাগাৰৰ ভূমিকা অতুলনীয়। সকলো মানুহে স্কুল কলেজত পঢ়ি জ্ঞান আহৰণ কৰিবলৈ সুযোগ নাপায়। স্কুল-কলেজত শিক্ষা লাভ কৰা লোকৰো চৰ্চাৰ অভাৱত বিদ্যা ক্ৰমে হ্ৰাস হয়। "অনভ্যাসেহতঃ বিদ্যা" সকলোসময়তে সকলোৰে কাৰণে আৱশ্যকীয় কিতাপখিনি কিনা সম্ভৱ নহয়। এই ক্ষেত্ৰত ৰাজহুৱা গ্ৰন্থাগাৰ বিলাকৰ ভূমিকা উল্লেখযোগ্য ৰাজহুৱা গ্ৰন্থাগাৰসমূহৰ গ্ৰন্থক্ৰয় বা সংগ্ৰহ কৰা চৰকাৰী ব্যৱস্থাটো কিছু উন্নত হ'লেহে পঢ়ুৱৈ সমাজ বহুত উপকৃত হ'ব। উন্নত মানৰ প্ৰবন্ধ, ভ্ৰমণ কাহিনী, চিকাৰ কাহিনী, উন্নত সমাজ গঠনৰ আৰ্হিৰে ৰচিত উপন্যাস, নাটক আদি ৰাজহুৱা গ্ৰন্থাগাৰৰ যোগেদি শিক্ষিত কৰ্মসংস্থানহীন যুৱক সকলৰ হাতত দিব পাৰিলে এই যুৱক সকল মানসিকভাৱে কিছু উন্নত হ'ব। সমাজৰ বিপথগামী যুৱক-যুৱতী সকলে এই দৰে পঢ়া আৰম্ভ কৰিলে তেওঁলোকৰ যুৱশক্তি সমাজৰ উন্নতিত সহায়ক হ'ব।

অধ্যয়নৰ পৰা কেৱল যে অধ্যয়নকাৰীৰ উপকাৰ হয় এনে নহয়, ইয়াৰ পৰা সাহিত্যৰো উন্নতি হয়। গ্ৰন্থ অধ্যয়নৰ ফলত লেখক সকলে লিখিবলৈ আৰু প্ৰকাশক সকলে প্ৰকাশ কৰিবলৈ উৎসাহ পায়। একে লগে জ্ঞান

আৰু আনন্দ লাভ কৰিব পৰা এনে এটা সজ কৰ্মৰ প্ৰতিও আমাৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী সকলৰ মুঠেই অনুৰাগ দেখা নাযায়। বহু ছাত্ৰ-ছাত্ৰীয়ে অ'ত ত'ত বহি আৰু অলাগতিয়াল কথা কিছুমান ফেনেকি সময় নষ্ট কৰে। সেইবাবে সৰুৰে পৰাই পাঠ্য-পুথিৰ উপৰিও আজৰি সময়ত নিয়মিতৰূপে দুই এখনকৈ বাহিৰা কিতাপ পঢ়া অভ্যাস কৰিব লাগে। গাৱে-চহৰে গ্ৰন্থাগাৰ কিছুমান গঢ়ি উঠিছে। ইং ১৯৫০ চনৰ পৰা ইং ১৯৭০ চন মানলৈ অসমৰ গাওঁ বিলাকত যথেষ্ট সংখ্যক গ্ৰন্থাগাৰ গঢ়ি উঠিছিল। সেই সময়ৰ ছাত্ৰ-ছাত্ৰী সকলে যথেষ্ট কিতাপ পঢ়িছিল। সেই সময়ত পঢ়ুৱৈ অনুপাতে লিখকৰ সংখ্যাওঁ বৃদ্ধি পাইছিল। ছাত্ৰ-ছাত্ৰী সকলে বয়সৰ অনুপাতত প্ৰথমে সাধুকথা, দুঃসাহসিক অভিযানকাৰীৰ অভিযানৰ কাহিনী, উপন্যাস, চিকাৰ কাহিনী, ভ্ৰমন কাহিনী, বিজ্ঞান ভিত্তিক গল্প-কাহিনী আদি পঢ়া আৰম্ভ কৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ বাঢ়িব।

মানুহৰ জ্ঞান পুথিৰ পাতত সঞ্চিত হয়। সেয়েহে জ্ঞানান্বেষী মানুহে অতীত কালৰ পৰাই গ্ৰন্থাগাৰ সাজি জ্ঞান সাধনাৰ বাট মোকোলাইছিল। পুৰণি কালৰ মঠ-মন্দিৰ, তীৰ্থস্থান আদিত বিভিন্ন বিষয়ৰ পুথি সংৰক্ষণ কৰা হৈছিল। আমাৰ দেশৰ থান-সত্ৰ আৰু নামঘৰতো ভালেমান পুৰণি কিতাপ -পুথি থুপতে পোৱা যায়। এইবোৰও এসময়ত পুথি ভঁৰালৰ কাম কৰিছিল। প্ৰাচীন ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ নাম উল্লেখযোগ্য। গ্ৰন্থাগাৰ সমূহ জ্ঞান-বিজ্ঞান, বুৰঞ্জী, দৰ্শন, সাহিত্য, কলা, গল্প,উপন্যাস, জীৱনী আদি নানা তৰহৰ ন-পুৰণি পুথি আৰু আলোচনী, বাতৰি কাকত আদি পঢ়াৰ কাৰণে সংগ্ৰহ আৰু সংৰক্ষণ কৰা অনুস্থান। স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়সমূহৰ গ্ৰন্থাগাৰসমূহে ছাত্ৰ-ছাত্ৰী সকলৰ বৰ উপকাৰ কৰে। জ্ঞান লাভৰ বাবে স্কুলৰ পাঠ্য-পুথিখিনিয়ে যথেষ্ট নহয়। বৰ্ত্তমান শিক্ষা ব্যৱস্থাত পাঠ্যক্ৰমত বহুতো পাঠ্য-পুথিৰ (text book) আৱশ্যক হৈ পৰিছে। উপৰঞ্চি বা অতিৰিক্ত কিতাপসমূহ গ্ৰন্থাগাৰত পৰ্য্যাপ্ত পৰিমাণে পোৱা যায়। ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলে গ্ৰন্থাগাৰত পঢ়া অভ্যাস কৰিলে গ্ৰন্থাগাৰৰ জ্ঞান ভাণ্ডাৰ প্ৰকৃততে কামত আহিব।

মহা মহা মনীষী সকলৰ বহুযুগৰ সাধনালব্ধ জ্ঞান পুথিৰ পাতত সঞ্চিত থাকে। পঢ়ুৱৈসকলে সেই মহান আহবান উপেক্ষা কৰিব নালাগে। সেই গ্ৰন্থসমূহ পঢ়ি পঢ়ুৱৈ সমাজে তাত থকা জ্ঞানৰাজি আহৰণ কৰিব পাৰে। এটা উন্নতমানৰ গ্ৰন্থাগাৰ থাকিলে সেই অঞ্চলৰ শিক্ষিত সমাজৰ বহুত উন্নতি হয়। উপযুক্ত গ্ৰন্থাগাৰৰ আলোচনী, বাতৰি কাকত আদিয়ে একোটা অঞ্চলক অধ্যয়ন পুষ্ট কৰি তুলিব পাৰে। □□





# Global Climate Change

Prof. **SARANGA PANI SAIKIA**
Head, Deptt. of Botany
Rangia college, Rangia

**Historical Perspective:** The idea that the action of humanity might change the composition of the atmosphere and hence the world's climate has deep historical roots as early as 1827, Fourier suggested that emission of trace gases might change the climate. At the end of the 19th Century, **SVante-A. Airlenins,**_a swedist scientist calculated how changes in $Co_2$ content would effect the temperature at the earth's surface. According to him, a doubling of $Co_2$ would produce a global warming of about 4 to $6^0$ C, not too far off modern calculations. It was only with the inception of the International Geophysical year and the inditiative of the national oceanic Atmosphere Administration that facilities to monitor global climate were installed in the Mouna Loa climate observatory, Hawii in the year 1957(Killing et.al.).

Killing's observation together with others, triggered the wave of climate change research that has marked the past two decades. Studies have since been under taken in many parts of the world.

**Green house effect:** Of all the incident sunlight only a small portion is absorbed by the at mosphere in earth's surface. Majority is therefore, reflected back and in the largest wavelength.

Now, there are certain gases in the atmosphere like $Co_2$,$CH_4$ $N_2o$, CFC and water vapour which have the property of trapping these reflected radiations and sending them back to the earth's surface, latter get warmed-up as a result of enabling sustenance of life on it. These phanomenon remind the observation of the green houses which are used in agricultural practices for growing off season vegetables. In fact, the Glasses around the Green houses allow light to pass through it but does not allow heat to escape. This maintains the requisite high temperature for the growth of plants even in colder climate. As such the phanomenon of heating the earth surface has been named

as "Green house effect" and the gases responsible for it are called as 'Green house' ($Co_2$,$CH_4$,etc.etc.). It was in 1979 that the world meteorological organization, Geneva, recognized the Global political significance of the issue and convened the first world conference on climate. Then in 1986 UNO, constituted in Inter-Governmentul panel on climate change prepared by as much as 2000 scientists. Report was formally announced in 1995 in the second sitting of inter perliamentary conference of climate change (IPCC).

The urgency comes from the recognition that Earth and its systems have been changing since the beginning of the Industrial era due to human activities but the changes have now become inaspicious. The examples are global warming, sea level rises, antarctic Ozone hole, desertification, flood and drought ect.

Now, of all these manifestations of the human climate change global warming will be discussed in some detail in as far as it relates all other mentioned examples.

It is interesting to note that teven after the IPCC proclamation, 'The balance of evidence suggests a discernible human influence on climate' the 'global warming debate' is still very much in vogue.

**Main culprits:-** In the post industrial era, because of the increased emission of green houses gases, the equilibrium of forces that together maintain the global climate has been tilted and temperature has risen above normal, as a consequence. For instance, in the past 10 years, we have had the% of the 8hottest years even recorded. Global temperature has been increasing & 0.6°cover the last 130 years and 2°c over the last 10,000 years. And it is going to raise by 2-5°c by the next century. Let us there fore discuss the main culprits of global warming.

1.$Co_2$- It is the most significant green house gases firstly because of its release in an unimaginative quantity and secondly, its thermodynamic stability. Sources of its release are - therwal power plants using fossil fuels ( petrol, diesel ect.), biomass (ethanoi, methanol, plant oils, cowdung ect.)furnaces, incixe - rators, automobiles etc.

In the pre industral times, say in 1750 $Co_2$ conc. was 280 p.p.mv (parts per million by volume). After industrialijation say in 1974 it in creased to 358 P.P. M.V. The maunaloa climate observatory, Hawai had estmated that an annual increase of 1.50 P.P. M.V. in the $C0_2$ conc. had occured and if this trend contimres it would reach 500 P.P.M.V. by the and of 21st century. Annual °c reach is placed at 76 billion tones of this





combustion of fossil fil contributes 80%. It seems, half of the c released remain in the atmosphere, the ocean uptake being a meagre 2 bi-llion tones/year.

Of the three types of fossil fuels, natureal gas combustion emits minimum $CO_2$. Liquid petroleum and coal releases 1.5 and two times more than the amount releasd by natural gas respectively.

**$CH_4$ :** The main source of $CH_4$ gas is the organic decomposition from flooded fields, marshy lands, natural gas leakage etc. Its conc. has increased from 0.80 ppmv to 1.72 ppmv in the post industrial era. A single molecule of CH4 traps heat about 30 times more affectively than a $Co_2$ molecule and casuses about 15% much global warming as $co_2$ does.

**$N_2O$ :** Due to modern agricultural practices specially the intense use of chemical fertilizer $N_2O$ cone. has increased from 0.282 ppmv to the present day 0.31 ppmv at an annual growth rate of 0.25%. It remains for a long 120 years.

**CFC-11 and CFC-12 :** Atmosphere abundance of the two gases are 0.28 ppmv and 0.484 ppmv respectively. Mainly released by the coolauts CFC's began to be accumulated 5 times fastes than they are destroyed by UV radiations since them first production in 1930. 15-20% of the green house effect is attributed to the and which remain for 55-116 years. Aternatives for CFC's like HCFC and HFC also cause green house effect.

Today global climate change is there for everybody to feel. Let us give the temperatures recorded in some citics of the country on 14th May, 2000.

| city | max. | min (in 0c) |
|---|---|---|
| Kolkata | 38°c (+2°) | 25 |
| Chennai | 42°c (+5°) | 28 |
| Mumbai | 35°c (+2°) | 27 |
| Guwahati | 37°c (+6°) | 27 (+5) |
| Dibrugarh | 36°c (+8°) | 23 (+2) |
| Imphal | 33°c (+4°) | 20 (+1) |
| Agartala | 36°C (+3°) | 27 (+1) |
| Shillong | 27°c (+3°) | 21 (+6) |

According to the IPCC report, earth surface temperature has increased by 0.6°c

from the pre industrial times. Infact, the last 10 years from 1988-1998 have been recognized as the hottest decade of the world.. Similiarly the 1998 July has been recorded as the hottest month in the world since 1866.

Effects : Symptoms of global warming have stated maniesting themselves because of them effects on the environment and the ecosystem. Some of them are -

1. Fregnent incidents of coal bleaching because of the increased ocean temperature.

2. Unpredictable changes in the weather/climate cyclone hit orrisa, recent dry spell in Rajasthan, Andha Madhapradesh etc.

3. Decrease of $O_2$ content of the atmosphere.

4. Uncontrolled bloom of toxic planktons in ocean red tides.

5. A recent scientific report points out that if the present rate of $Co_2$ emmission continues over the next country, the earth climate may heat for about 500 years. (It is worth mentioning here that the thermodynamicity of the green house effect takes 50-60 years for thin action) and there shall be a temp. increase of $7^0$c. The thermal expansions of oceans due to the temp. rise alone will result in an increase in MSc *Mean sea level( by 2 m. The effect of melting ice caps will be extra. And an increase of MSc by first 2m is enough to washaway the whole Maldives and Bangladesh.

6. Another effect of global warming is the $Co_2$ fertilization the increase in productivity of plants especially the ones follwoing $c_3$ photosynthesis (e.g. ric, wheat).

7. The global warming is likely to reduce the availability of agricultural land as river deltas may be inundated due to rise in sea level.

8. Agricultural pests may prosper to cause wide spread damage to standing crops at increased temperature.

Complexity of the problem : It is widely believed that one the global warming sets in strongly, warning would be at a much faster rate thereafter. It is because-

1. Ocean will lose its $co_2$ absorption capacity.

2. Increased temperature may trigger the escape of the green house gases like $CH_4$ buried beneath the ocean bed as fluid inclusions in finy connectd vesicles of 'Methan hydrates.' It has been estimated that 1 litre of 'hydreates' holdes about 10-30 litre of $CH_4$.





3. A small rise in temp. may melt the permafrost of the Arctic, releases more green house gases.

Kurt cuffey of california University using oxygen isotopes analysis have calculated that a $8^0$c increase in temperature will cause MSC to rise by 5.5 m in greenland.

Economics of Green house effect : To instigate the effect of climate change on the world economics it may cost upto 970 billion dollars said a recent release of the organization for Economic Corporation and development. We have already mentioned some of the effects of green house effect which will have a bearing on world economics. Let us discuss some others directly causing loss-

1. Only a metre rise in MSC is sufficient to inundate the three major air terminus of the New-york city.

2. World's laurism industry which is generally located on the sea-shore will be severely affected by global warming or other effect of green house effects like cyclone.

3. Environmental refugee problem' is another presently, 250 million peole have been rendered homeless by natural calamities. It the global warming follows the present trend of increase this member would increase to 1500 million. This is easy to understood if we remined ourselves that 80% of the world's human population is settled within 100 kms. of the sea-shore. According to a chinese Govt. release already 3 crore chinese people have been affected by the climate change and if the MSC rises by 1m the whole Shanghai province harbouring some 1.2 crore people will sink.

4. Agriculture sector is another which when affected will have a telling affect on world economics. Almost 15% of the Agricultural land in Egypt will be inundated by increase water level as facing some 140 lakh people to turn refugee. Moreover the ingress of saline water into the Nile delta would seriously jeopardism the supply of agricultural products in the whole of Egypt.

Similarly, the whole of Asia-pacific ocean region whose argiculture is monsoon fed will suffer immensely.

**Global warming and India :**

1. Golbal warming activates hydrological cycle along with warming of the environment. It brings forth unpredictable climate changes causing drougth at certain places and cyclones and heavy showers at some other places. As we all know earth's surface in 70% water. When the global temperature increases enormous water gets

evaporated. This hot air moves to the colder polar regions and the cold and there rushes to occupy the space left causing cyclones.

The recent spell of drought in Gujrat, Rajasthan, Andhrapradesh, Madhya pradesh, the cyclone in Orrissa which are all unpresedented in the history of these states is its evidence.

2. For a country like India, which still depend a great deal on agriculture, the implications of global warming, if the does occur, will be profound. Imfact, the agricultural zones would be shifted due to drought- termperate zone might become semitropical, tropical as semiarid, semiarid as arid. Then the traditional agricultural practices and water management strateges might be needed to be planned a fresh in order to adapt the global warming.

**Control and intigation :**

1. The gravity of problem is well appreciated when it bought the heads of some 150 nations together in the Brazilion capical of Rio- de Janeiro under the banner of 'The Earth Summit -1992." And as the treaty reads, "the ultimate objective is to achieve stabilization of green house gases concentration at a level that would prevent dangerous anthropogenic interference with the climate system." And the UN Frame work convention on climate change (UNFCC)came into force in March, 1994.

2. Serious attempts are being made world wide to go for non-conventional energy sources- solar radiation, wind, ocean waves, fides ect. as an alternative to fossil fuel energy.

3. Rapid forestation is another method to provide a better $co2$ sink. An area of tropical forest equal to a fort ball field is disappearing every second, world wide.

4. Investigation is going on to dispose off $co_2$ safely on the ocean bed. Lignified $co_2$ by virtue of its lesser density than the sea water remain on the sea bed safely.

5. Methods to activates $co_2$ for subsequent chemical transformations have to be found out. It is reported that Isocyanates and carbodimides have been prepared from $co_2$.

6. It is also reported that global warming is shielded by acidic emissions and the thinning of ozone layer.

**Controversy:** Despite feeling the warmth day by day a 1997 book titled 'The





global 'warming debete' published by the European Science and Environment, very existance of the phanomenon of global warming.

It says that there is no strong evidence that global temperature has risen in recent decades one contribution, patrick Michaels, has used objective data from weather satellites, available for the last 17 years and finds us trace of global warming. He suggests that since most of the IPCC data are based on onland thermometers, while two thirds of the earth's surface is water, the methodology is basically flowed and fails to detect a global phenomenon.

Similarly, Dr. John Emsley of Imperial college, London and Dr. Jack Barrett suggest that an increased conc of $co_2$ is simply incapable of radiating more heat back to the surface of earth.

**Conclusion:** Not with standing the outcome of the debate, the world's emmission of green house gases need to be curtailed. Renewable eco-friendly power generation should be preferred to fossil- fuel burning. what is more distressing is that global warning, if it does occur, may not take place gradually over the years. Instead, warming may take place in sudden links and climate may oscillate between stable states. It is therefore, doubtful whether our ecosystem would be able to adapt to sudden shifts.


***




জন্ম ঃ ইং ২১-৬-৪১ চন
কৰ্ম যোগকাল ঃ ইং ১৭-৭-৬৩ চন
কৰ্ম অৱসৰ কাল ঃ ইং ২১-৬-২০০১ চন

অদ্যাপিও জীৱিত শ্ৰীআকলু ৰাম কলিতা ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিস্থাপক কৰ্মচাৰী আছিল। কৰ্মনিষ্ঠা আৰু সদাচাৰৰ জলন্ত প্ৰতীক শ্ৰীকলিতা উত্তৰসুৰীসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ব।






শ্ৰীভবেন্দ্ৰ নাথ ডেকা
*সভাপতি*
অভ্যৰ্থনা সমিতি




শ্ৰীযোগেন্দ্ৰ প্ৰসাদ শৰ্মা
*সাধাৰণ সম্পাদক*
অভ্যৰ্থনা সমিতি



শ্ৰীফুকন বসুমতাৰী
*সভাপতি*
স্মৃতিগ্ৰন্থ উপ-সমিতি




শ্ৰীৰমণী ৰাজবংশী
সম্পাদক
স্মৃতিগ্ৰন্থ উপ-সমিতি




মঃ ওচমান গণি
সদস্য
স্মৃতিগ্ৰন্থ উপ-সমিতি



শ্ৰীশৰৎ কলিতা
সদস্য
স্মৃতিগ্ৰন্থ উপ-সমিতি



সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সদস্যসকলৰ একাংশ



সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলৰ একাংশ

## সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক ৰাজ্যিক অভিৰৰ্ত্তনৰ অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সকল

১। মুখ্য পৃষ্ঠপোষক : **শ্ৰীযুত ভুবনেশ্বৰ কলিতা,**
উদ্যোগ, বাণিজ্য আৰু বাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী, অসম, দিশপুৰ, গুৱাহাটী- ৬ ও সভাপতি, ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতি।

২। পৃষ্ঠপোষক মণ্ডলী :
১। **শ্ৰীযুত থানেশ্বৰ বড়ো**, প্ৰাক্তন শিক্ষা মন্ত্ৰী, অসম তথা প্ৰাক্তন সভাপতি, ৰঙিয়া মহাবিদ্যালয় পৰিচালনা সমিতি।
২। মহকুমাধিপতি (অসামৰিক), ৰঙিয়া।
৩। মহকুমা আৰক্ষী বিষয়া, ৰঙিয়া।
৪। মহকুমা স্বাস্থ্য বিষয়া, ৰঙিয়া।
৫। মহকুমা জনস্বাস্থ্য কাৰিকৰী বিষয়া, ৰঙিয়া।
৬। উত্তৰ কামৰূপ বন সংমণ্ডল বিষয়া, ৰঙিয়া।
৭। মহকুমা জন সংযোগ বিষয়া, ৰঙিয়া।
৮। ডিভিজনেল ৰে'লৱে মেনেজাৰ, ৰঙিয়া।
৯। কাৰ্য্যবাহী অভিযন্তা, পথ ও গৃহ বিভাগ, ৰঙিয়া।
১০। ৰঙিয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সমূহ সদস্য/সদস্যা।
১১। খণ্ড উন্নয়ন বিষয়া, ৰঙিয়া।

৩। উপদেষ্টা মণ্ডলী :
১। উপদেষ্টা, সভাপতি/সম্পাদক, সদৌ অসম কলেজ কৰ্মচাৰী সন্থা।
২। সভাপতি/সম্পাদক, কামৰূপ জিলা কলেজ কৰ্মচাৰী সন্থা।
৩। সভাপতি/সম্পাদক, নলবাৰী জিলা কলেজ কৰ্মচাৰী সন্থা।
৪। পুঠিমাৰী, পুৱ কামৰূপ, গোৰেশ্বৰ আৰু মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ/অধ্যক্ষা সকল।
৫। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, ৰঙিয়া নগৰ আৰক্ষী চকী।
৬। চক্ৰ বিষয়া, ৰঙিয়া ৰাজহ চক্ৰ।
৭। কাৰ্য্যবাহী বিষয়া, ৰঙিয়া পৌৰ সভা।
৮। সভাপতি/সম্পাদক, এলুম্‌নি চ'ছাইটি, ৰঙিয়া মহাবিদ্যালয়।
৯। **ড০ আফজল আহমদ।**
১০। **হৰেন্দ্ৰ নাথ শৰ্মা।**
১১। **ড০ আব্দুৰ ৰেজ্জাক**
১২। **হৰি নাথ শৰ্মা**
১৩। সভাপতি/সম্পাদক, ৰঙিয়া ব্যৱসায়ী সন্থা।
১৪। সভাপতি/সম্পাদক, সদৌ অসম কৰ্মচাৰী সন্থা, ৰঙিয়া শাখা।

১। সভাপতি : শ্ৰীভবেন্দ্ৰ নাথ ডেকা, অধ্যক্ষ
২। কাৰ্য্যকৰী সভাপতি : শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা
৩। উপ-সভাপতিদ্বয় : শ্ৰীঅমৰেন্দ্ৰ কুমাৰ শৰ্মা
: শ্ৰীকমলা বৰ্মণ
৪। সহঃ সাঃ সম্পাদকদ্বয় : শ্ৰীঅনুপ কুমাৰ ডেকা
শ্ৰীদীপক ডেকা

৫। **বিত্ত উপ-সমিতিঃ**

সভাপতি : শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্মা
সম্পাদক : শ্ৰীদিলীপ কুমাৰ ডেকা
সহঃ সম্পাদক : মঃ মোজাফ্ফৰ হুচেইন।
সদস্য : শ্ৰীঅনুপ কুমাৰ ডেকা
শ্ৰীচণ্ডীৰাম বসুমতাৰী
ড০ ইব্ৰাহীম আলি
মঃ মহচিন আলী
শ্ৰীৰাজীৱ মহন্ত

৬। **খাদ্য উপ-সমিতি ঃ**

সভাপতি : শ্ৰীৰঞ্জন কুমাৰ বৰা
সম্পাদক : শ্ৰীদেৱৰাজ শৰ্মা
সদস্য : শ্ৰীশাৰঙ্গ পাণি শইকীয়া
শ্ৰীঅৱনী কলিতা
শ্ৰীদীপক ডেকা
শ্ৰীলক্ষ্মণ দাস
শ্ৰীহৰকান্ত বৈশ্য
শ্ৰীনৃপেন মহন্ত

৭। **শিবিৰ উপ-সমিতি ঃ**

সভাপতি : শ্ৰীদ্বিজেন্দ্ৰ নাথ ডেকা
সম্পাদক : শ্ৰীচণ্ডীৰাম বসুমতাৰী
সদস্য : শ্ৰীমুকুল কলিতা
মঃ খাইৰুল হুছেইন
মঃ আব্দুল খালেক
মঃ ফজনুৰ আলী

৮। **মঞ্চ ও তোৰণ উপ-সমিতি ঃ**

সভাপতি : শ্ৰীহেমেন্দ্ৰ শৰ্মা
সম্পাদক : শ্ৰীমনোজ কুমাৰ সিনহা
সদস্য : শ্ৰীমহেন্দ্ৰ কলিতা
শ্ৰীহৰিপদ বৈশ্য
শ্ৰীদামোদৰ দাস

৯। **অতিথি আপ্যায়ন উপ-সমিতি ঃ**

সভাপতি : শ্ৰীপ্ৰেম কিষাণ সিং
সম্পাদক : শ্ৰীৰমেন দাস
সদস্য : শ্ৰীমণিৰাম ডেকা
চৈয়দা মনোৱাৰা বেগম
ড০ স্নিগ্ধা চৰকাৰ
শ্ৰীদীপা ভট্ট
শ্ৰীৰানু চৌধুৰী

১০। **প্ৰচাৰ উপ-সমিতি ঃ**

সভাপতি : শ্ৰীদীনেশ লহকৰ
সম্পাদক : ড০ হিতেশ চন্দ্ৰ বৰ্মন
সদস্য : অশ্বিনী মহন্ত

১১। **স্মৰণিকা উপ-সমিতি ঃ**

সভাপতি : শ্ৰীফুকন বসুমতাৰী
সম্পাদক : শ্ৰীৰমণী ৰাজবংশী
সদস্য : মঃ ওছমান গনী
শ্ৰীপ্ৰফুল্ল কলিতা
শ্ৰীশৰৎ চন্দ্ৰ কলিতা

১২। **পৰিবহন যাতায়ত উপ-সমিতি ঃ**

সভাপতি : ড০ সঞ্জয় কুমাৰ তালুকদাৰ
সম্পাদক : শ্ৰীৰজনী কান্ত ডেকা
সদস্য : শ্ৰীগগন ডেকা
শ্ৰীনিত্যানন্দ বৰ্মন
শ্ৰীমোহন কলিতা
পবিত্ৰ বড়ো

১৩। **জনস্বাস্থ্য ও পানী যোগান উপ-সমিতি ঃ**

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীবিমল দাস |
| সম্পাদক | ঃ | শ্ৰীপৰমেশ্বৰ শর্মা |
| সদস্য | ঃ | শ্ৰীঅকুণ্ঠ কাকতি |
| | | ধ্রুৱজিৎ বৈশ্য |
| | | শ্ৰীগিৰীশ ডেকা |

১৪। **সাংস্কৃতিক উপ-সমিতি ঃ**

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীকবিন্দ্ৰ বড়ো |
| সম্পাদক | ঃ | শ্ৰীজ্যোতিষ চন্দ্ৰ ডাউকা |
| সদস্য | ঃ | শ্ৰীকুমাৰ জিৎ বৈশ্য |
| | | শ্ৰীবৰ্ণালী শর্মা |

□□□

With Best Compliments from:-

**M/s Balaji Polyflim,
Kalapahar, Guwahati-16
District Kamrup (Assam)**

**M/s Assam Alloys,
Jorabat,
District Kamrup, (Assam)**

D.D. OFFSET PRINTERS RANGIA. Ph: 242417